186
A[...]SLATIVE ASSEMBLY
[...]RETARIAT
Debates 1986
12 to 31 March
(42)

A[S]SAM
LEGISLATIVE ASSEMBLY
DEBATES

# OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE [EIG]HTENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

# BUDGET SESSION

## VOL. II

NO. 1—12

The 12th March, 1986 — 31 MAR

Not for Issue
A. L. A. Library

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1986

(Budget Session)

Volume—II

No. 1

Dated, the 12th March, 1986

Contents | Pages

| | | |
|---|---|---|
| 1. | Oath or Affirmation ... ... | 1 |
| 2. | Questions ... ... | 1—6 |
| 3. | Miscellaneous Matters ... ... | 6—7 |
| 3. | Adjournment Motion ... ... | 7—10 |
| 4. | Announcement from the Chair ... | 11 |
| 5. | Report of the Business Advisory Committee | 11—12 |
| 6. | Constitution of the Panel of Chairmen | |
| 7. | Presentation of the annual financial Statement (Budget Estimates) of the Government of Assam for the year 1986-87. | 12—20 |
| 8. | Motion for Election of Members to the Assam Road Communication Board | 21 |
| 9. | Obituary References ... | 22—23 |
| 10. | Adjournment ... ... | 23 |

Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Eighth General Election under Sovereign Democratic Republican Constitution of India.

The House met in the Assembly Chamber, Dispur, Guwahati on Wednesday the 12th March, 1986 with the Hon'ble Speaker in the Chair, 14 (fourteen) Ministers, 6 (six) Ministers of State, 91 (ninetyone) Members present.

## OATH OR AFFIRMATION

Mr. SPEAKER.—Item No. 1.

Now I detail the procedure that will be followed for making and subscribing the oath or affirmation. The Secretary will call out the names of the Hon'ble Members. Hon'ble Members will please come up to the Secretary's table, make and subscribe oath or affirmation, sign the Roll of members, shake hands with the Chair and then will please resume the seat.

( माननीय सदस्य श्रीডালিম বায় আৰু শ্ৰীগৰ্নিন হাজৰীকা দেৱে শপত গ্ৰহণ কৰে )

## STARRED

## QUESTIONS AND ANSWERS

(To which oral replies were given)

বি ঃ— সাহিত্যিক পেঞ্চনধাৰী লোকৰ সংখ্যা।

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ-

* ১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ-

(ক) সাহিত্যিক পেঞ্চনধাৰী লোক অসমত বৰ্ত্তমান কিমান আছে ?

(খ) সাহিত্যিক পেঞ্চন দিওঁতে বাচনি কি দৰে কৰা হয় ?

(গ) এই ক্ষেত্ৰত অসম সাহিত্য সভা, বড়ো সাহিত্য সভা আদি অনুষ্ঠানৰ কিবা মন্তব্য লোৱা হয়নে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ—

১। (ক) ১৯৭৩ চনৰ পৰা ১৯৮৫ চনলৈ চৰকাৰে ৯৮ জন ব্যক্তিক মাহিলী সাহিত্যিক পেঞ্চন সংশোধন কৰিছে। ইয়াৰে কিছু সংখ্যক লোকৰ ইতিমধ্যে মৃত্যু হৈছে।

(খ) ১৯৭৪ চনত চৰকাৰে "দি আসাম লিটাৰেৰিৰ এৱাৰ্ড এন্ড পেঞ্চন ৰুলচ, ১৯৭৪" বিধি নিয়মাৱলী গ্ৰহণ কৰে। এই নিয়মাৱলী মতে এখন উচ্চ ক্ষমতা সম্পন্ন কমিটি গঠন কৰা হয়। এই কমিটিত সদস্য সকল এনে ধৰণৰ :—

১। মুখ্য মন্ত্ৰী :— সভাপতি (চেয়াৰমেন)
২। শিক্ষা মন্ত্ৰী :— উপ-সভাপতি (ভাইচ চেয়াৰমেন)
৩। গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী—সদস্য
৪। শ্ৰীসত্যেন্দ্ৰ নাথ শৰ্মা — সদস্য
৫। আয়ুক্ত/সচিব, শিক্ষা বিভাগ — সদস্য সচিব।

চৰকাৰে সাহিত্যিক পেঞ্চনৰ যিমান বিলাক আবেদন পত্ৰ পায়, সকলো বিৱৰণ এই কমিটিৰ আগত দাখিল কৰা হয়। কমিটিয়ে ইয়াৰ ওপৰত সিদ্ধান্ত লয়। ইয়াৰ বাহিৰেও কমিটিয়ে স্ব-ইচ্ছাৰ কোনো আবেদন পত্ৰ নোপোৱাকৈও যোগ্যতা অনুসাৰে কোনো ব্যক্তিগত সাহিত্যিক পেঞ্চন প্ৰদান কৰাৰ ব্যৱস্থা বিধিত আছে।

(গ) লোৱা নহয়।

শ্ৰীজয়নাথ শৰ্মা :— মাননীয় অধ্যক্ষ মহোদয়, সাহিত্যিক পেঞ্চন দিয়াৰ মূল উদ্দেশ্যে কি মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈ গৈছো যে ১৯৭৪ চনত চৰকাৰে 'দি আচাম লিটাৰেৰী এৰ্বাদ এন্ড পেঞ্চন ৰোলচ' নিয়মাৱলী গ্ৰহণ কৰে আৰু সেই মতে সাহিত্যিক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰে।

শ্ৰীজয় নাথ শৰ্মা :— অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল সাহিত্যিক পেঞ্চন দিয়াৰ মূল উদ্দেশ্য-টো কি ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই সিদ্ধান্ত লোৱাৰ একমাত্ৰ উদ্দেশ্য হৈছে সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত যি সকলে জীৱন জুৰি অৱিহণা যোগাই আহিছে সেই সকলক এনে ধৰণেৰে সম্মান জনোৱাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীময়িদুল ইচলাম বৰা :— অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী মহোদয়ে জনাবনেকি যে কিমান জন বড়ো সাহিত্যিকক এনে ধৰণৰ সাহিত্যিক পেঞ্চ দিয়া হৈছিল ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :—অধ্যক্ষ মহোদয়, মোৰ হাতত থকা তথ্যমতে মুঠ ৯৮ জন সাহিত্যিকক এনে ধৰণৰ পেঞ্চন দিয়া হৈছে, ভাগ ভাগ কৰা হোৱা নাই। কিমান জন বড়ো সাহিত্যিকে পাইছে সেই কথা মই পিচত জনাম।

Shri CHARAN NARZARY.—Will the Hon'ble Minister, Education say whether all the Sahityiks-pensioners are receiving pension. If the answer is 'no', how many of them have not received their pension as yet and what is the reason for their not receiving the pension ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই মোৰ প্ৰশ্নৰ উত্তৰতে কৈছো যে মুঠতে ৯৮ জন লোকে এনে পেঞ্চন পাইছে, বড়ো লোক কিমান জন আছে সেই হিচাব বৰ্ত্তমান মোৰ হাতত নাই।

Shri CHARAN NARZARY.—So, Sir, will the Education Minister inform the House later on about the figures?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— এই বিষয়ে সদনক মই পিছত জনাম।

শ্ৰীজয় নাথ শৰ্ম্মা :— মন্ত্ৰী মহোদয়ে সাহিত্যিক পেঞ্চন দিয়াৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ সভাপতিৰ পৰা মন্তব্য লোৱা নাই বুলি কৈছে। কিন্তু মই জনাত পূৰ্বতে অসম সাহিত্য সভা আৰু বড়ো সাহিত্য সভাৰ সভাপতিৰ পৰা মন্তব্য লোৱা হৈছিল। এতিয়া নতুন চৰকাৰে সাহিত্যিক পেঞ্চন দিয়াৰ ক্ষেত্ৰত অসম সাহিত্য সভা আৰু বৰো সাহিত্য সভাৰ পৰা মন্তব্য লব লাগে।

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— মাননীয় সদস্যই আগবঢ়োৱা পৰামৰ্শটো আমি বিবেচনা কৰিম।

Shri A. F. GOLAM OSMANI.—Hon'ble Speaker, Sir, as the Education Minister stated that he will consider soliciting the opinion of Ahom Sahitya Sabha and Boro Sahitya Sabha in respect of awarding literary pension to literary personality doing their work in those things, whether he would consider consulting Nikhil Assam Banga Bhasha Samiti in view of the fact that Banga Sahitya Sanmilon has considerable number and substantial sections of the people of Assam do speak in that language and considerable number of writers and poets execute their work in that language?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— মাননীয় সদস্যৰ প্ৰশ্নটো আমাৰ দৃষ্টি গোচৰ হৈছে। সকলোৰেই মুক্ত ভাবে নিজৰ নিজৰ চিন্তা-চৰ্চা প্ৰকাশ কৰিবলৈ সুবিধা দিয়াৰ কাৰণে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। আমি সকলোৰেই যাতে নিজৰ নিজৰ চিন্তা চৰ্চা প্ৰকাশ কৰিব পাৰো তাৰ বাবে বিবেচনা কৰিম। সকলোৰে ভাষা সংস্কৃতি বিকাশৰ কাৰণে চৰকাৰে গুৰুত্ব দিব।

শ্ৰীজয় নাথ শৰ্ম্মা :— সাহিত্যিক পেঞ্চন দিয়াৰ ক্ষেত্ৰত এজন সাহিত্যিকৰ অৰ্থনৈতিক দিশলৈ বিবেচনা কৰা হয়। সেই সাহিত্যিক জনৰ মৃত্যু হলে তেখেতৰ বিধবা পত্নীক সেই পিঞ্চন দিয়া হয়নে নহয় ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) :— এইটো প্ৰশ্নৰ উত্তৰ দিবলৈ সময়ৰ প্ৰয়োজন হব।

Re : Office of the Joint Director Secondary/Higher Education, Cachar.

Shri DIGENDRA PURKAYASTHA asked :

*2. Will the Minister, Education be pleased to state :—

(a) Whether the Government proposes to create the office of the Jt. Director of Secondary/Higher Secondary Education in the District of Cachar?

(b) If so, when it will be created ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২। (ক) নাই।

(খ) প্ৰশ্ন নুঠে।

মি ঃ স্পীকাৰ ঃ—আপুনি উত্তৰটো পঢ়ি দিলেই হব।

Shri ALTAF HUSSAIN MAZUMDAR.—Mr. Speaker, Sir, for the purpose of decentralisation and for efficient administration of the department will the Minister, Education kindly consider and examine the feasibility of opening an office at Barak Valley ?

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ— এই বিষয়ে চৰকাৰে এতিয়াও বিবেচনা কৰা নাই কিয়নো আমাৰ প্ৰত্যেকখন জিলাতেই স্কুল পৰিদৰ্শকৰ কাৰ্য্যালয় আছে। এই কাৰ্য্যালয়েই সকলো বিলাক কাম চলাই আছে।

Shri ALTAF HUSSAIN MAZUMDAR.—Mr. Speaker Sir, will the Government examine the advantages of this proposal. I do not say that he is to accept but he is to examine whether this will better serve the purpose.

শ্ৰীবৃন্দাবন গোস্বামী (শিক্ষা মন্ত্ৰী) ঃ— ইতিমধ্যে আমাৰ শিক্ষা ব্যৱস্থাটো পুনৰ গঠন কৰাৰ কাৰণে চিন্তা চৰ্চা কৰি থকা হৈছে।

বি ঃ জিলা ন্যায়াধীশৰ সা-সুবিধা।

শ্ৰীজয় নাথ শৰ্ম্মাই সুধিছে ঃ—

*(৩) মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জিলা আৰু চেচন আদালত কেইখন আছে আৰু জিলা ন্যায়াধীশ আৰু জিলা দণ্ডাধীশৰ মানদণ্ড সমপৰ্য্যায়ৰ হয় নে ?

(খ) জিলা ন্যায়াধীশ সকলৰ বাবে অসমত মুঠতে কেইটা বাসভৱন আছে ?

(গ) জিলা দণ্ডাধীশ সকলে পোৱা সুবিধা আৰু জিলা ন্যায়াধীশ সকলে পোৱা সুবিধাৰ তাৰতম্য কিবা আছেনে ?

(ঘ) যদি আছে, কেনে ধৰণৰ ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (আইন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

৩। (ক) অসমত জিলা আৰু চেচন আদালতৰ মুঠ সংখ্যা ১৩ খন। অসম চৰকাৰৰ অৰ্ডাৰ অব প্ৰিচিডেন্স (অৰ্ডাৰ অন প্ৰেচিডেন্স) মতে জিলা ন্যায়াধীশ আৰু জিলা দণ্ডাধীশৰ মানদণ্ড সমপৰ্য্যায়ৰ।

(খ) বৰ্ত্তমান অসমত জিলা ন্যায়াধীশ সকলৰ বাবে মঠ ৬ টা বাসভৱন আছে।

(গ) হয়, আছে।

(ঘ) জিলা দণ্ডাধীশ সকলৰ বাবে পৃথককৈ ৰখা (আৰমাৰ্ক) চৰকাৰী বাসভৱন আছে। তেওঁ-লোকৰ নিজা আদালত ও কাৰ্য্যালয় ভৱন থাকে আৰু তেওঁলোকৰ ব্যৱহাৰৰ বাবে চৰকাৰী গাড়ী দিয়া হয়। কিন্তু জিলা ন্যায়াধীশ সকলৰ এই সুবিধা বিলাকৰ অভাৱ আৰু ইয়াৰ কাৰণে জিলা ন্যায়াধীশ সকলে জিলা দণ্ডাধীশৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। ৬ জনৰ বাদে বাকী জিলা ন্যায়াধীশ সকলৰ বাবে পৃথককৈ (আৰমাৰ্কড) চৰকাৰী বাসভৱন নাই। প্ৰায় সকলোবোৰ জিলা ন্যায়াধীশৰেই সুকীয়া আদালত ও কাৰ্য্যালয় ভৱন নাই। জিলা দণ্ডাধীশৰ আদালত ও কাৰ্য্যালয় ভৱনতেই জিলা ন্যায়াধীশ সকলৰ আদালত ও কাৰ্য্যালয় থাকে। অসমত কোনো এজন জিলা ন্যায়াধীশকে চৰকাৰী গাড়ী দিয়া হোৱা নাই।

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী :— এই সম্পৰ্কত মোৰ প্ৰশ্নটো হৈছে যে নলবাৰী জিলা আৰু চেচন আদালতৰ ঘৰৰ সম্পৰ্কত আইন মন্ত্ৰী মহোদয়ে কিবা জানেনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— এই সম্পৰ্কত আমি ইতিমধ্যে যা-যোগাৰ কৰিছো। এপ্ৰিল মাহৰ প্ৰথম সপ্তাহতে জিলা আৰু চেচন কৰ্টৰ ঘৰ হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— মন্ত্ৰী মহোদয়ে কৈছে যে জিলা দণ্ডাধীশ আৰু ন্যায়াধীশৰ মান দণ্ড সমপৰ্য্যয়ৰ। যদি এইটোৱেই হয় তেনেহলে সা-সুবিধাৰ ক্ষেত্ৰত তাৰতম্য কিয়?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— আগৰে পৰা এই দৰেই চলি আহিছে। আমি ইতিমধ্যে প্ৰস্তাৱ কৰিছো যে পৰৱৰ্ত্তী বিত্তীয় বছৰৰ পিছত অসমৰ জিলা ন্যায়াধীশৰ কাৰণে গাড়ী কিনা হব আৰু তেওঁলোকৰ বাবে ঘৰৰো ব্যৱস্থা কৰা হব।

শ্ৰীজয়নাথ শৰ্ম্মা :— বিভিন্ন আদালতত নিষ্পত্তি নোহোৱাকৈ থকা গোচৰ সমূহ ন্যায়াধীশ সকলৰ সা-সুবিধাৰ অভাবতে নিষ্পত্তি নোহোৱাকৈ আছে এইটো কথা জানেনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— সা-সুবিধা নোপোৱাৰ কাৰণেই আদালতত গোচৰ বিলাক নিষ্পত্তি নোহোৱাকৈ আছে এইটো কথা নহয়। কাৰণ ন্যায়াধীশ সকলক ভাৰা ঘৰ দিয়া হৈছে আৰু উপায়ুক্তৰ কাৰ্য্যালয়তে তেওঁলোকক অফিচ কৰিবলৈ দিয়া হৈছে। সেই কাৰণে মই ভাবো যে তেওঁলোকে কেচ বিলাক নিষ্পত্তি কৰাত কোনো অসুবিধা পোৱা নাই।

শ্ৰীজয়নাথ শৰ্ম্মা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে জিলা দণ্ডাধীশ আদালততে ন্যায়াধীশৰ কাৰ্য্যালয় থাকে। এই কাৰ্য্যালয় দুটা একেলগে থকাৰ অসুবিধা হোৱা নাই বুলি মন্ত্ৰী মহোদয়ে কব পাৰে নেকি?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— অসুবিধা হৈছে, যিখিনি ঠাই আছে উপায়ুক্তৰ কাৰ্য্যালয়কে নোজোৰে। মই আগতে কৈছো জিলা ন্যায়াধীশৰ কাৰ্য্যালয় আৰু বাসভৱনৰ কাৰণে সুকীয়াকৈ আদালত কৰাৰ সিদ্ধান্ত ইতিমধ্যে গ্ৰহণ কৰা হৈছে।

শ্ৰীজয়নাথ শৰ্ম্মা :— এই পৃথকীকৰণৰ বাবে আৰু কিমান সময় লাগিব মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— এই প্ৰশ্নটোৰ উত্তৰ এতিয়াই দিব নোৱাৰিম যথেষ্ট সময় লাগিব।

শ্ৰীময়দ্দুল ইচলাম বৰা :— প্ৰতিখন মহকুমাতে একোজন সহকাৰী চেচন জাজৰ আদালত কৰিব নোৱাৰি নেকি ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— এইটো পলিচিৰ কথা। বিবেচনা কৰি চাব লাগিব।

Shri ABDUL MUHIB MAZUMDAR.—Will the Minister-in-charge, Law tell the House whether he is going to provide quarters to those seven District & Sessions Judges ? Can he give us a time limit by which these District Judges quarters will be provided ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— এতিয়ালৈকে ৬ টা ন্যায়াধীশৰ বাসভৱন আছে। বাসভৱন থকা ঠাই বিলাক হল তেজপুৰ, নৰ্থ লক্ষীমপুৰ, ডিব্ৰুগড়, যোৰহাট আৰু নগাওঁ আৰু শিলচৰ। বাকী বিলাকো সোনকালে কৰাৰ চেষ্টা কৰা হৈছে।

Shri ABDUL MUHIB MAZUMDAR.—Will the Minister-in-charge also tell us whether the Government subsidies the rent for the quarters in which seven Judges are staying ? I repeat my question : as stated by the Hon'ble Minister, six Session Judges have been provided with quarters by the Government and seven Judges are not having their quarters provided. So they must be residing in rented houses. Who is paying the rent ? Does the Government subsidies or the Judges themselves are paying it ?

শ্ৰীসুৰেন্দ্ৰ নাথ মেধী (মন্ত্ৰী) :— এই তথ্য মোৰ হাতত নাই। এতিয়াই কব নোৱাৰিম।

## MISCELLANEOUS

* Shri CHARAN NARZARY.—Mr. Speaker, Sir, I am raising very serious matter of public importance at this hour. Sir, on 10th March 1986 some 813 plains tribal landless families have been evicted by the Forest Department in Begadoli forest area. These families came over there in 1979 and they had to came there because they lost their shelters at the Assam-Nagaland border area. They were evicted by the holocaust perpertrated by the Naga miscreants on 5th January 1979, and finding no other alternative for their to anywhere they came there, encroched upon forest land and settled down there. On earlier occasion also they were evicted by the Forest Department during the time of Mr. Hiteswar Saikia, and now here without making any alternative arrangement for their rehabilitation as assured by the Hon'ble Chief

*Speech not corrected.

Minister during the discussions we had with him, these families have been ruthlessly evicted. That is very sad indeed. Now I want a clarification also, as to whether the Forest Department evicted these families under orders of the Government or they did it on their own ? How is that these families have been evicted without making any alternative arrangement for their rehabilitation ? They are indegenous landless tribal families. May I pose a a question here ? Is it the beginning of the implementation of Assam Accord or what ? Where these families will go ? They have to be rehabilitated. Their houses have been demolished by using elephants, and these families now have become completely homeless. Where else they will go ? So I want a clarification and also a statement on the incident. This is my submission Sir.

* Shri PRAFULLA KUMAR MAHANTA —(Chief Ministes )— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি বিষয়টো উত্থাপন কৰিছে সেই বিষয়টো তামুলপুৰৰ বিধায়কেও যোৱা কালি মোক অৱগত কৰিছিল গতিকে গোটেই বিষয়টো বিষয়া পৰ্য্যায়ত তদন্ত কৰিবলৈ দিয়া হৈছে। আৰু যি সকলক উচ্ছেদ কৰা হৈছে তেওঁলোকক পুনঃ সংস্থাপন দিয়াৰ কাৰণে পুনঃ সংস্থাপন বিভাগক দায়ীত্ব দিয়া হৈছে।

Shri CHARAN NARZARY.—Sir, meanwhile these people need relief as they have lost everything, I want to know whether Government take immediate steps for giving them adequate relief in cash and kind. My questions have not been answered Sir.

Shri PRAFULLA KUMAR MAHANTA (Chief Minister) তেওঁলোকক পুনঃ সংস্থাপন আৰু যাবতীয় কামৰ দায়ীত্ব পুনঃ সংস্থাপন বিভাগক দিয়া হৈছে।

Shri AF. GULAM OSMANI.—Sir, there is another matter of public importance I want to raise.

## ADJOURNMENT MOTION

মাননীয় অধ্যক্ষ ঃ-I am on my legs and you are not allowed to speak. মই এটা পঙ্গু সভাস্থগিত প্ৰস্তাৱৰ জাননী পাইছো মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্তৰ পৰা। গতিকে এই বিষয়ে মই সিদ্ধান্ত লোৱাৰ আগতে তেখেতক চমুকৈ দণ্ডায়মান কৰলৈ অনুৰোধ কৰিলো।

*Speech not corrected

* Shri SANTI RANJAN DAS GUPTA.—Mr. Speakar, Sir, I have given a notice under Rule 56 of the Rules of Procedure & Conduct of Bussiness of the Assam Legislative Assembly to adjourn the other business on the agenda for 12th March 1986 in order to discuss distinct matter of urgent public importance and of recent occurrence. The adjournment motion is that the House be adjourned to discuss a definite and urgent matter of public importance. That demolition of shops, buildings, houses and looting of property at Hojai, Udmari village in Jamunamukh constituency, Nowgong, Gauhati and Silchar and reign of terror has been let loose by the Government officers and police especially in the minority areas. Sir, let me first read out a notice issued by SDO, Nowgong which also fulfils the requirement of Rules 57. This notice was served by SDO Sablok to the people of Hojai.

"ইয়াৰ দ্বাৰা হোজাই পৌৰ সভা এলেকাৰ সৰ্ব্বসাধাৰণ ৰাইজক জনোৱা হয় যে হোজাই পৌৰ সভাৰ কাৰ্য্যবাহী বিষয়াই হোজাইৰ মূল ৰাজপথটোৰ দুয়োফালে চাৰি ফুটকৈ বহলোৱাৰ বাবে এখন আৰ্চনি প্ৰস্তুত কৰিছে এই আৰ্চনি হোজাই পৌৰ সভাৰ এলেকাবাসী সমূহ ৰাইজৰ সুবিধাৰ্থে গ্ৰহণ কৰাৰ ব্যৱস্হা লোৱা হৈছে।

গড়কাপ্তানী বিভাগে এই ৰাজপথটোৰ কাম অতি সোনকালে হাতত নলয় বুলি জনা গৈছে। গতিকে অহা বাৰিষাৰ আগতে ৰাজপথটোৰ কাম সম্পূৰ্ণ কৰাৰ উদ্দেশ্য লৈ হোজাই বাসী ৰাইজক একগোটহৈ আৰ্থিক সহায় সহযোগ আগবঢ়াবৰ বাবে অনুৰোধ জনোৱা হল।

যি সকল সহৃদয় ৰাইজে মুক্তহস্তে ৫০০০·০০ হাজাৰ টকা বা তাৰ ওপৰত দান বৰঙণি আগবঢ়াব খোজে তেখেত সকলক অহা ২৭ ফেব্ৰুৱাৰীৰ দিনৰ ৪ বজাত মহকুমাধিপতিৰ কাৰ্য্যালয় কক্ষত একত্ৰিত হৈ উক্ত ৰাজপথটো বহোলোৱাৰ কাম সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে এখন পৰিচালনা সমিতি গঠন কৰি বিভিন্ন দিশত আলোচনাৰ বাবে উক্ত সভাত যোগ দিবলৈ সাদৰেৰে আমন্ত্ৰণ জনোৱা হল।

দান বৰঙণি দিওতা সকলৰ নামৰ তালিকা জনসাধাৰণৰ জ্ঞাতাৰ্থে এখন জাননী ফলকত হোজাই বজাৰ তিনিআলিত ৰখা হব। ৰাস্তাৰ কাম অহা ১ মাৰ্চ ১৯৮৬ তাৰিখৰ পৰা আৰম্ভ কৰাৰ দিহা কৰা হৈছে।"

স্বাঃ মহকুমাধিপতি
হোঁজাই ।

Sir, this notice was issued by SDO, PWD in which it was clearly said that the Public Works Department does not undertake the development of the road. This road is already 100 ft. wide. But he himself said that in both sides of the road the road will be broadened by 4 ft. Why? Because, if the road is widened then he can demolish RCC building shops and many other things. On the date fixed no one turned up in that meeting. As a result the officer

*Speech not corrected.

became very much irritated and Sir, what he did from 1st March, I am giving some samples. These are RCC buildings and to you I am giving some photos. He has demolished more than one thousand shops, buildings including RCC buildings and his tyranny is to much and it is still going on not only in Hojai but in other places also. I tried to contact the Chief Minister on phone but I could not got him. I tried for 4 days and then I met him yesterday. I want to give some more photos to you. The Municipal market was demolished. The Hojai Municipality is constructed in 1969 and this market has been totally demolished. Then, Sir, in village Udmari in Jamunamukh constituency 60 houses were levelled the ground, trees were cut up and property was looted. Even in Hojai property was looted and these people were there from 1940. This is going on in Gauhati at Fatasil Ambari and Silchar also. Everywhere this is going on in the name of broadening the road. Why this action of widening the road ? Can the PWD Minister cite an example of a 100 ft. wide road ; can the Municipal Minister cite an example of a 100 ft. wide road ? Did the officer consult the PWD Minister ; did the officer consult the Municipal Minister or the officer took it upon himself? In what State we are living ? Whether there is any law and order in the State ? But if the Chief Minister whom I met yesterday makes a committee of this House with the Hon'ble Members they are cutting jokes towards me I submit to the Hon'ble Members, let them go personally and submit a report to the Housv ; let the Chief Minister constitute a committee. I want to hear the Chief Minister first and if the Chief Minister is agreeable to make a committee I shall not press for the adjournment motion.

*Shri SHAHIDUL ISLAM.--

অধ্যক্ষ মহোদয়, মই মাননীয় সদস্য শ্ৰীশান্তি ৰঞ্জন দাসগুপ্ত ডাঙৰীয়াই উত্থাপন কৰা প্ৰস্তাৱটো সমৰ্থন কৰিছো। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে যোৱাবাৰ ভাষণত কৈছিল যে চৰ অঞ্চল বিলাকত ৰাজহ বিভাগৰ দ্বাৰা জৰীপ কৰোৱা হব। কিন্তু তাৰ পৰিবৰ্ত্তে মোৰ ধিং সমষ্টিৰ শিৱালমাৰী চৰত উচ্ছেদৰ নোটিচ জাৰি কৰিছে। এই বিলাক ফৰেষ্ট লেণ্ডৰ নামত গইনা দি উচ্ছেদৰ ব্যৱস্থা কৰা হৈছে। মই জানিব বিছাৰিছো এই বিলাক চৰকাৰৰ প্ৰশাসন যন্ত্ৰৰ বিষয়া সকলে বিভ্ৰান্ত কৰিছে নে ৰাইজৰ দ্বাৰা নিৰ্ব্বাচিত মন্ত্ৰী সভাই ৰাইজক বিভ্ৰান্ত কৰিছে ? এই কাৰণে কৈছো এই বিষয়টো এটা গুৰুত্বপূৰ্ণ বিষয় গতিকে সদন স্থগিত কৰি এই বিষয়টো আলোচনা কৰিব লাগে।

Mr. SPEAKER·—Order. Order. I have heard the contention of the Hon'ble Members Shri Santi Ranjan Das Gupta and Shri Shahidul Islam. The subject matter of the

*Speech not corrected.

adjournment motion, no doubt is very important but cannot be admitted because the Hon'ble Members will get opportunity to discuss the matter in the general discussion on the Budget which will begin from tomorrow. In this connection I would like to refer to what has been stated by Kaul and Shakdher in practice and procedure of Parliament. I quote 'A matter even of very recent occurrence is not 'urgent' if an opportunity for its discussion will arise in the ordinary course of business within a reasonably short time"—unquote. Hon'ble Speaker Mavalankar also observed that, I quote again "if Hon'ble Members have a fairly good change of raising the question on a debate, it will not be permited as an adjournment motion". Accordingly I disallow the Adjournment Motion. However, as the matter involved public importance I would like to request the Han'ble Chief Minister to inform the House if he proposes any action on the matter.

*Shri PRAFULLA KUMAR MAHANTA (Chief Minister)—
মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো সম্পৰ্কে মই কব বিছাৰিছো যে মহকুমাধিপতিৰ ইয়াত দোষ নাই, তেখেতে চৰকাৰী নীতি পালন কৰিছে। চৰকাৰী নীতি হল যিবিলাক চৰকাৰী মাটি বা ৰাজ আলি সেইবিলাকত বেদখল কৰিব নোৱাৰে আৰু যদি কোনোবাই বেদখল কৰে তেনেহলে তেওঁলোকক উচ্ছেদ কৰিব লাগিব। যদি কাৰোবাৰ পট্টা থকা মাটিৰ পৰা উচ্ছেদ কৰা হৈছে তেনে অভিযোগ পালে চৰকাৰে নিশ্চয় তদন্ত কৰিব। তেনেকুৱা হৈছে নে নাই বিষয়া পৰ্য্যায়ত তদন্ত কৰিবলৈ দায়িত্ব দিয়া হৈছে।

Shri SANTI RANJAN DAS GUPTA.—I can also cite.

Mr. SPEAKER.—Order. Order. You are not allowed.

Shri SANTI RANJAN DAS GUPTA.—We are not satisfied; we are staging a walk out.

Mr. SPEAKER.—I have said you will have opportunity to discuss the matter in the general budget discussion.

(U. M. F. Members walked out)

*Speech not corrected

Mr. SPEAKER.—
ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱ গ্ৰহণ কৰি শেষ হৈ যোৱা অধিবেশনৰ পিচত ৰাজ্যপালে এখন চিঠি দিছে। মই চিঠিখন বিধান সভাত পঢ়ি দিছো।

"My Dear Mr. Speaker,

I thank you for your letter No. LAQ.6/85/1609, dated 31st January, 1986 informing me of the motion adopted by the Assam Legislative Assembly on 30th January, 1986 in regard to my Address to the House on 10th January, 1986. I take this opportunity of sending you and the Assembly my best wishes.

Your Sincerely;
Sd/ BHISHMA NARAIN SINGH.

Shri Pulakesh Barua, L. L. B.
Speaker,
Assam Legislative Assembly,
Dispur, Guwahati—781006"

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Now, I place the report on the Business Advisory Committee. "Under Rule 230 of the Rules of Procedure and Conduct of Business in Assan Legislative Assembly, I called a meeting of the Busines Advisory Committee on 4th March, 1986 in my chamber to finalise the Calender for the meetings of the Budget Session. The Committee after discussion decided that the meetings of the Budget Session Commencing on and from 12th March, 1986 should continue till 7th April, 1986. There will be altogether 18 working days out of which 15 days will be devoted for transaction of Government business and 3 days for transaction of Private Members' Business. Out of these Government days four days will be devoted for General discussion on the Budget, 6 days for Voting on Demands for Grants including passing of the Appropriation Bill relating to Budget Estimates, one day for discussion on Supplementary Demands for Grantd and Supplementary Appropriation for 1985-86 and passing of the Appropriation Bill, 3 days for consideration and passing of Government Bills and the remaining one day for other formal business.

The Committee also recommended for extending Session of the Assembly beyond 7th April, 1986 if business of the House so demands.

The committee further decided that in future, as far as practicable, the presentation of Budget should be fixed on either 3rd or 4th March if these dates are normal working days. A copy of the calendar for the meetings of the Budget Session has already been circulated amongst the Hon'ble Members of the House.

I hope this has the approval of the House.

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিধিৰ ৯(১) ধাৰা অনুযায়ী মই বিভিন্ন ক্ষেত্ৰত সভাপতি সকলৰ নাম মনোনিত কৰিছো। সেই সকল হ'ল: ১।শ্ৰীচৰণ নাজাৰী ২। শ্ৰীমিথিয়াচ টুডু ৩। শ্ৰীপবিত্ৰ চন্দ্ৰ ডেকা ৪। শ্ৰীজয়নাথ শৰ্ম্মা

ITEM No. 5:

মাননীয় অধ্যক্ষ :— এতিয়া মুখ্য মন্ত্ৰীয়ে বাজেট বক্তৃতা দিব।

Shri PRAFULLA KUMAR MAHANTA (Chief Minister)— অধ্যক্ষ মহোদয়, কাৰ্য্য উপদেষ্টা সমিতিৰ অনুমোদন অনুসৰি বাজেট বক্তৃতা দিয়াৰ আগমুহূৰ্ত্তে মই মাননীয় সদস্য সকলক জনাব বিচাৰিছো যে মাৰ্চ মাহৰ প্ৰথম সপ্তাহতে বাজেট উত্থাপন কৰিব লাগিছিল যদিও সেইটো সম্ভৱপৰ নহল। ইয়াৰ পিচত এপ্ৰিল মাহৰ তিনি চাৰি তাৰিখৰ ভিতৰতে বাজেট উত্থাপন কৰিবলৈ চেষ্টা কৰিম।

## PRESENTATION OF THE ANNUAL FINANCIAL STATEMENT (BUDGET ESTIMAES) OF THE GOVERNMENT OF ASSAM FOR THE YEAR 1986-87

অধ্যক্ষ মহোদয়,

মই ১৯৮৬-৮৭ চনৰ বছৰটোৰ বাবে অসম চৰকাৰৰ বাজেট সদনৰ আগত দাঙি ধৰিব খুজিছো।

২। ১৯৮৫ চনৰ ২৪ ডিচেম্বৰ তাৰিখে ৰাজ্যখন চলোৱাৰ দায়িত্ব লোৱাৰে পৰা এতিয়ালৈ বৰ্ত্তমান চৰকাৰৰ দুটা মাহ সম্পূৰ্ণ হৈছেহে। আমালৈ বিপুল সমৰ্থন আগবঢ়োৱাৰ বাবে অসমৰ সদৌ ৰাইজলৈ মই ওলগ যাচিছো। অসমৰ ৰাইজে আমাৰ হাতত এক গধুৰ দায়িত্ব তুলি দিছে আৰু তেখেতসকলে আমাৰ প্ৰতি দেখুৱা আস্থা আৰু বিশ্বাসৰ সম্মান ৰাখিবলৈ আমি যত্ন কৰি যাম। এখন নিকা, সৱল, সুস্থিৰ আৰু সুদক্ষ চৰকাৰ গঢ়ি তোলাটোৱেই হব আমাৰ প্ৰথম প্ৰয়াস। এই চৰকাৰ ৰাইজৰ চৰকাৰ আৰু জাতি-ধৰ্ম, ভাষা-বৰ্ণ নিৰ্বিশেষে সদৌ ৰাইজৰ হকে এই চৰকাৰে কাম কৰিব। অসম চুক্তিৰ ৰূপায়ণ

কৰাৰ ক্ষেত্ৰত চৰকাৰে উচ্চ অগ্ৰাধিকাৰ দিব। অসমৰ সৰ্বাংগীন উন্নয়নৰ হকে আৰু সকলো শ্ৰেণীৰ ৰাইজৰ মাজত শান্তি আৰু সংহতিৰ বিকাশৰ বাবে আমি সবল প্ৰচেষ্টা চলাই যাম। চৰকাৰৰ প্ৰয়াস হব এনে এক পৰিবেশ গঢ়ি তোলা, যি পৰিবেশত প্ৰত্যেক জাতি, সংস্কৃতি, ভাষা বা ধৰ্ম্মগোষ্ঠীয়ে সৌহাৰ্দ্দ আৰু পাৰস্পৰিক শ্ৰদ্ধাৰ মনোভাৱেৰে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক দিশত এই ৰাজ্যখনৰ বিকাশ সাধনৰ উমেহতীয়া প্ৰচেষ্টাত সমূহীয়াভাৱে ভাগ লোৱাৰ অপূৰ্ব অভিজ্ঞতা লাভ কৰিব। আমাৰ গৌৰবময় সাংস্কৃতিক ঐতিহ্যৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ পৰম্পৰাৰ প্ৰতি আমাৰ দায়বদ্ধতাক নিৰৱচ্ছিন্ন বাস্তৱ ৰূপ দিয়াৰ বাবেও আমি সকলো প্ৰচেষ্টা চলাই যাম।

Shri ALTAF HUSSAIN MAZUMDAR.—Sir, an Ex-Minister was murdered, Masagor incidents and many other murders were happening during the tenure of this Government. So, this Government has got no moral right to continue in office.

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী :— মাননীয় অধ্যক্ষ মহোদয়, অসমত আজি শান্তি বিৰাজ বুলি কোৱা হৈছে— ই কেতিয়াও নহয়। ক'তো শান্তি বিৰাজ কৰা নাই, কেৱল হত্যা, ভীতি প্ৰদৰ্শন চলি আছে— (—সদনত বিৰাট গন্দগোল হয়। বহু সদস্য একেলগে কবলৈ ঠিয় হোৱাত কাৰো কথা শুনা নগল।)

(কংগ্ৰেছ (আই) সদস্য সকলে সদন কক্ষ ত্যাগ কৰে)।

Shri PRAFULLA KUMAR MAHANTA (Chief Minister)—

৩। বাজেট প্ৰস্তাৱলৈ যোৱাৰ আগতে মই ৰাজ্যখনৰ বৰ্ত্তমান সামগ্ৰিক অৰ্থনৈতিক অৱস্থাৰ থূলমূল আভাষ এটা দাঙি ধৰিব খুজিছো।

**ৰাজ্যিক আয়**

৪। ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ ভেটিত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ষষ্ঠ পৰিকল্পনাৰ কাল-ছোৱাত প্ৰায় ৪·৮ শতাংশকৈ বাঢ়িছিল আৰু সেই বৃদ্ধিৰ গতি অব্যাহত থাকিব বুলি আশা কৰা হৈছে। দ্ৰুত হিচাপ মতে ১৯৮৪-৮৫ চনৰ চলিত মূল্যৰ ভেটিত ৰাজ্যৰ ঘৰুৱা উৎপাদন ১৯৮৩-৮৪ চনৰ (দ্ৰুত হিচাপত) ৩৮১৩·৮ কোটি টকাৰ পৰা ৬·৭ শতাংশ বাঢ়ি ১৯৮৪-৮৫ চনত (দ্ৰুত হিচাপত) ৪০৭০·৬ কোটি টকা হয়গৈ। ১৯৭০-৭১ চনৰ স্থিৰ মূল্যৰ ভেটিত ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯-৮৩-৮৪ চনৰ তুলনাত ১৯৮৪-৮৫ চনত ৪·৩ শতাংশ বাঢ়িছিল। একেখিনি সময়তে চলিত মূল্যত জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদন ১৯৮৩-৮৪ চনৰ (দ্ৰুত হিচাপত) ১৭৬২ টকাৰ পৰা ৩·৩ শতাংশকৈ বাঢ়ি ১৯৮৪-৮৫ চনত (দ্ৰুত হিচাপত) ১৮২০·৬ টকা হৈছিলগৈ। স্থিৰ মূল্যৰ ভেটিত ১৯৮৩-৮৪ চনৰ (দ্ৰুত হিচাপত) ৫৭৯ টকাৰ পৰা জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদন ১ শতাংশকৈ বাঢ়ি ১৯৮৪-৮৫ চনত (দ্ৰুত হিচাপত) ৫৮৪·৪ টকা হয়গৈ।

**কৃষি**

৫। খাৰিফ আৰু ৰবি শস্যৰ উৎপাদনৰ ক্ষেত্ৰত বছৰটোত পোৱা সামগ্ৰিক সফলতা আগৰ বছৰতকৈ অধিক হবগৈ বুলি আশা কৰা হৈছে। বৰ্ত্তমান বছৰৰ চাউলৰ উৎপাদনেও যোৱা বছৰৰ উৎপাদনৰ সীমা চেৰাই যোৱাৰ আশা আছে। একেধৰণে মাকৈ, অন্যান্য খাদ্যশস্য, মাহ, তেল, বীজ, কুঁহিয়াৰ, মৰাপাট

আৰু মেণ্টাৰ উৎপাদনো আগৰ বছৰতকৈ কিছু বাঢ়িব যেন লাগিছে। আগৰ বছৰৰ তুলনাত যেহেতু উৎপাদন সামান্য কমিব পাৰে। চাউলৰ উৎপাদন বঢ়াবৰ বাবে বিশেষ উৎপাদন খণ্ডৰ জৰিয়তে চাউল উৎপাদনৰ আচনি এখনত জোৰ দিয়া হৈছে। প্ৰমাণিত বীজ যোগানৰ আঁসোৱাহ আঁতৰাবলৈ চলিত বছৰত বীজ প্ৰমাণিতকৰণ আচনি এখনো হাতত লোৱা হৈছে। দ্বিতীয় কৃষি মহাবিদ্যালয় এখনো বিশ্বনাথ চাৰিআলিত সোনকালে নিৰ্মাণ কৰা হব।

## উদ্যোগ

৬। ঔদ্যোগিক খণ্ডৰ সামগ্ৰিক কাম কাজৰ বিচাৰ কৰিলে দেখা যায় যে আগৰ বছৰৰ প্ৰথম দহোটা মাহৰ তুলনাত ১৯৮৫ চনৰ একেছোৱা সময়ত চাহ আৰু প্লাইউডৰ উৎপাদন সন্তোষজনক ভাবে বাঢ়িছিল। আনহাতে আগৰ বছৰৰ প্ৰথম কেইমাহৰ তুলনাত ১৯৮৫ চনৰ প্ৰথম কেইমাহত চিমেণ্ট, ফাৰ্টিলাইজাৰ, জুইশলা, পেট্ৰোলজাত সামগ্ৰী, চূণশিল, কয়লা আৰু প্ৰাকৃতিক গেচ আদি অন্যান্য উদ্যোগজাত আৰু খনিজ সামগ্ৰীৰ উৎপাদন সামান্যভাবে হ্ৰাস পাইছিল। ১৯৮৬ চনৰ পহিলা জানুৱাৰীৰ পৰা শিলঘাট মৰাপাট কল পুনৰ মুকলি কৰাটো আছিল ঔদ্যোগিক ক্ষেত্ৰত বছৰটোৰ এটা উৎসাহব্যঞ্জক দিশ। ১৯৫১ চনৰ উদ্যোগ বিকাশ আৰু অধিনিয়ম আইনৰ অধীনত অশোক কাগজ কলটো নিজৰ হাতলৈ নি তাৰ পৰিচালনাৰ ভাৰ ৰাজ্য চৰকাৰৰ হাতত ন্যস্ত কৰিবলৈ বুলি ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিছে। আমিনগাঁৱত এখন একীভূত চাহ নগৰী চক্ৰ গঢ়ি তুলিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে। পঞ্জীভূক্ত কাৰ্য্যালয় সমূহ স্থানান্তৰ কৰিবলৈ আৰু অসমৰ ভিতৰতে নিজ নিজ ব্যৱসায়িক কাম কাজৰ পৰিসৰ বঢ়াবলৈ ইয়াৰ দ্বাৰা চাহ কোম্পানীসমূহ উৎসাহিত হব। বঙাইগাওঁ শোধনাগাৰ আৰু পেট্ৰ'ৰসায়ন চক্ৰৰ নিম্নবাহী উৎপাদনৰ সদ্ব্যৱহাৰৰ উদ্দেশ্যেৰে ৰাজহুৱা খণ্ডৰ তিনিটা সূতা কটা কলত সোনকালে উৎপাদন আৰম্ভ হব বুলি আশা কৰা হৈছে। পলিয়েষ্টাৰ ফিল্ম প্ৰকল্প, পলিয়েষ্টাৰ ফিলামেণ্ট সূতা প্ৰকল্প, এটা বয়ন উদ্যোগ চক্ৰ আদিৰ লেখীয়া অন্যান্য সংশ্লিষ্ট উদ্যোগো স্থাপন কৰিবলৈ লোৱা হৈছে। কুৰিদফা আচনিৰ অধীনত ১৯৮৫-৮৬ চনত ১১০০ টা ক্ষুদ্ৰ উদ্যোগ গোট পতাৰ লক্ষ্য বান্ধি লোৱা হৈছিল। এই লক্ষ্য চেৰাই যাব পৰা হব বুলি আশা কৰা হৈছে। ১৯৮৬-৮৭ চনৰ বাবে ৭৫০০ জনৰ ওপৰঞ্চি নিয়োগৰ বাট মোকলাব পৰাকৈ ১২০০ টা ক্ষুদ্ৰ উদ্যোগ গোট স্থাপনৰ লক্ষ্য লোৱা হৈছে।

## বিজুলী

৭। ১৯৮৫-৮৬ চনত ৰাজ্যখনত বিজুলী যোগানৰ সামগ্ৰিক পৰিস্থিতি বৰ সন্তোষজনক হোৱা নাই। কিয়নো আমাৰ নিজা উৎপাদিত আৰু চুবুৰীয়া যোগান ব্যৱস্থাৰ পৰা পোৱা বিজুলী ৰাজ্যখনৰ প্ৰয়োজনৰ জোখাৰে নাছিল আৰু তাৰ ফলত বছৰৰ শেষৰ ফালে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কিছু পৰিমাণে ল'ড শ্বেডিঙৰ আশ্ৰয় লব লগা হৈছিলগৈ। ১৯৭৯-৮০ চনৰ শেহলৈ মাত্ৰ ১৪১·৫ মেগাৱাটৰ হিচাপত থকা উৎপাদন ক্ষমতা চলিত বিত্তীয় বছৰৰ শেহলৈ ৪৬৯·৪ মেগাৱাট হবগৈ বুলি আশা কৰা হৈছে। তথাপিও ৰাজ্যখনত জনমূৰি বিজুলী ব্যৱহাৰৰ হাৰ মাত্ৰ ৪৫ কিলোৱাট আৱাৰ্চহে আৰু ১৪৫ কিলোৱাট আৱাৰ্চৰ ৰাষ্ট্ৰীয় গড় হিচাপৰ তুলনাত ই নিচেই কম। সকলো নিৰ্মীয়মান প্ৰকল্প সময়মতে সম্পূৰ্ণ কৰা আৰু পুৰণি প্ৰকল্প সমূহৰ নবীকৰণ আৰু আধুনিকীকৰণত উচ্চ অগ্ৰাধিকাৰ দিয়াই হব আমাৰ ঘাই প্ৰচেষ্টা। উৎপাদন ক্ষমতাৰ যথোচিত ব্যৱহাৰ সুনিশ্চিত কৰিবলৈ বিদ্যুৎ প্ৰকল্প সমূহৰ কাৰিকৰী দক্ষতা বঢ়াবৰ বাবেও যথাযথ ভাবে চকু ৰখা হব। গ্ৰাম্য বৈদ্যুতিকৰণৰ দিশত ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ শেহলৈ ৰাজ্যৰ ২১,৯৯৫ খন গাঁৱৰ ভিতৰত ১২,৫৪৭ খন, অৰ্থাৎ জনবসতি থকা মুঠ গাঁৱৰ প্ৰায় ৫৭ শতাংশ, বৈদ্যুতিকৰণ কৰা হৈছে।

### শিক্ষা

৮। প্ৰাথমিক পৰ্য্যায়ৰ স্কুলসমূহত ৬ বছৰৰ পৰা ১৩ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া পাঠ্যপুথি আৰু স্কুলীয়া ইউনিফৰ্ম যতনাই দিবলৈ চৰকাৰে প্ৰস্তাৱ কৰিছে। এই কামত ১৯৮৬-৮৭ চনৰ বছৰটোত মুঠ ১৯·৪২ কোটি টকাৰ প্ৰয়োজন হব আৰু ১৯৮৬-৮৭ চনৰ পৰিকল্পনা আবণ্টনৰ পৰা সেই প্ৰয়োজন পূৰোৱা হব। খেলা ধূলাৰ বিকাশ আৰু সংগীত, নাট, নৃত্য আৰু চাৰু কলাৰ ক্ষেত্ৰত উৎকৰ্ষ বঢ়াবৰ বাবেও চৰকাৰ আগ্ৰহী। ৰাজ্যখনৰ ১০০ খন উচ্চ বিদ্যালয়ত টেবুল টেনিচ খেলাৰ সুবিধা দিবলৈ প্ৰস্তাৱ কৰা হৈছে আৰু তাৰে ভালেখিনি হব ছোৱালী স্কুল। গাওঁ অঞ্চলত খেলা-ধূলাৰ বিকাশৰ বাবে বৈলিকা বিশেষ মনোযোগ দিয়া হব। পুৰাণ স্মৃতিচিহ্ন আৰু পুৰাতাত্বিক উদ্যান আৰু যাদুঘৰ স্থাপনৰ কথাও আমি চিন্তা কৰিছো।

### বন

৯। ব্যাপক হাৰত বে-আইনী ভাবে গছ-গছনি কটাৰ ফলত আমাৰ বনাঞ্চলৰ কেবল সম্পদেই উদং হোৱা নাই, তাৰ সৌন্দৰ্য্যও ম্লান হৈছে। এই দিশত সংশোধনমূলক ব্যৱস্থা লবলৈ আমি বদ্ধপৰিকৰ। বনভূমিৰ নিৰ্বিচাৰ বিনাশ আৰু বন্যপ্ৰাণীৰ সংখ্যাৰ সংকোচনে সমগ্ৰ পৃথিবীতে চৰম উদ্বেগৰ সৃষ্টি কৰিছে। আমাৰ বন্যপ্ৰাণী আৰু বন্যপ্ৰাণীৰ বসতিস্থলৰ সংৰক্ষণৰ জৰুৰী প্ৰয়োজন সম্পৰ্কে আমিও অতিকৈ উদ্বিগ্ন। বহুবিধ জীৱ-জন্তু আৰু পশু-পক্ষীকলৈ গৰ্ববোধ কৰিব পৰা আমাৰ ৰাজ্যখন এশিঙীয়া গড়, নল গাহৰি, হস্পিদ হেয়াৰ, সোণোৱালী বান্দৰ, দেও হাঁহ আদি কেতবোৰ অনুপম বিপন্ন জাতৰো বাসভূমি। সেইবিলাকৰ সংৰক্ষণ আৰু বিস্তাৰৰ বাবে ব্যৱস্থাৰ কথা বিবেচনা কৰা হৈছে। দেও হাঁহৰ সংৰক্ষণৰ বাবে উজনি অসমত অভয়াৰণ্য এখন গঢ়ি তোলাৰ প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। উত্তৰ কাছাৰ পাহাৰৰ বৰাইল অঞ্চলতো এখন অভয়াৰণ্য গঢ়ি তোলাৰ কথা চৰকাৰে বিবেচনা কৰি আছে।

### আনুষ্ঠানিক বিত্ত

১০। ৰাজ্যখনত বাণিজ্যিক বেংকৰ শাখাৰ সংখ্যা ১৯৮৪ চনৰ জুন মাহৰ ৭২৩ টাৰ পৰা ১৯৮৫ চনৰ ডিচেম্বৰ মাহৰ শেহত ৯৬৪ টা হৈছেহি। কিন্তু বেংকৰ শাখা এনেদৰে বাঢ়িলেও সমগ্ৰ দেশৰ তুলনাত ৰাজ্যখন বেংকৰ সেৱাৰ পৰা তুলনামূলক ভাবে বঞ্চিত হৈয়েই আছে। উদাহৰণ স্বৰূপে, ১৯৮৫ চনৰ ডিচেম্বৰ মাহত অসমৰ ২১ হেজাৰ জনসংখ্যাৰ বাবে একোটাকৈ বেংকৰ কাৰ্য্যালয় আছিল, অথচ ১৯৮৪ চনৰ ডিচেম্বৰ মাহতে সমগ্ৰ দেশৰ হিচাপত একোটাকৈ বেংকৰ কাৰ্যালয় আছিল ১৪ হেজাৰ জনসংখ্যাৰ বাবে। বেংকৰ শাখা বঢ়াৰ লগে লগে ১৯৮০ চনৰ ডিচেম্বৰ মাহৰ ৩৫০·৩ কোটি টকাৰ পৰা ১৯৮৪ চনৰ ডিচেম্বৰ মাহত ৮১৭·১ কোটি টকালৈ বেংকৰ জমা ধনৰ পৰিমাণো উল্লেখনীয়ভাবে বাঢ়ে। একেছোৱা সময়তে ঋণ বিতৰণৰ পৰিমাণ বাঢ়ে ১৮৬·৭ কোটি টকাৰ পৰা ৪১১·৯ কোটি টকালৈ। সেই হিচাপত ১৯৮৪ চনৰ ডিচেম্বৰ মাহত গোটেই দেশৰ ৬৮·৭ শতাংশৰ বিপৰীতে ৰাজ্যখনৰ বাণিজ্যিক বেংকৰ ঋণ আৰু জমাৰ অনুপাত আছিল ৫০·৪ শতাং। আঞ্চলিক গাঁৱলীয়া বেংকৰ গাথনিও ৰাজ্যখনত ক্ৰমে সম্প্ৰসাৰিত হৈ আহিছে। ১৯৮১ চনৰ জুন মাহৰ ৬৯ টা আৰু ১৯৮৪ চনৰ ডিচেম্বৰ মাহৰ ২১৫ টাৰ বিপৰীতে ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহলৈ আঞ্চলিক গাঁৱলীয়া বেংকৰ শাখাৰ সংখ্যা ৩১১ টা হয়গৈ আৰু তাৰ বেছি ভাগেই গাওঁ অঞ্চলত স্থাপিত হয়। আঞ্চলিক গাঁৱলীয়া বেংকৰ ঋণ দান আৰু জমাৰ অনুপাতো উল্লেখযোগ্য ভাবে বৃদ্ধি পায়। জমাৰ পৰিমাণ ১৯৮৩ চনৰ ডিচেম্বৰ মাহৰ ১৭·২ কোটি টকাৰ পৰা ১৯৮৪ চনৰ ডিচেম্বৰ মাহত ২৩·৪ কোটি টকালৈ বৃদ্ধি পায় আৰু একেখিনি সময়তে ঋণ দানৰ পৰিমাণ বাঢ়ে ৮·৭ কোটি টকাৰ পৰা ১৪·১ কোটি টকালৈ।

### মূল্য পৰিস্থিতি

১১। মূল্যবৃদ্ধিৰ প্ৰৱণতা এটা সৰ্বভাৰতীয় সমস্যা আৰু অসমো তাৰ ব্যতিক্ৰম নহয়। ৰাষ্ট্ৰীয় অৰ্থনীতিত মূল্যস্ফীতিয়ে দেখা দিলে ৰাজ্যখনৰ মূল্যমানতো ই আপোনা-আপুনি প্ৰতিফলিত হয়। ১৯৮৫ চনৰ প্ৰথম ন মাহত পাইকাৰী মূল্যৰ গড়সূচী ১৯৮৪ চনৰ একেখিনি সময়ৰ তুলনাত ১৪·৯ শতাং বৃদ্ধি পাইছিল। ১৯৮৫ চনত পাইকাৰী মূল্য সূচীৰ উৰ্দ্ধগামিতা অধিক প্ৰকট হৈছিল খাদ্য সামগ্ৰীৰ বাহিৰে আৰোৰ সামগ্ৰী আৰু অনাকৃষি দ্ৰব্যৰ ক্ষেত্ৰত। পাইকাৰী মূল্যৰ বৃদ্ধিৰ লগে লগে খুচুৰা গ্ৰাহক মূল্যতো অনুৰূপ প্ৰৱণতা এটা দেখা গৈছিল। অসমত শ্ৰমিক শ্ৰেণীৰ বাবে গ্ৰাহক মূল্য সূচী (ভিত্তি ১৯৪৯ সমান ১০০) আগৰ বছৰৰ একেখিনি সময়ৰ ৬৬৮ ৰ পৰা ১৯৮৫ চনৰ চেপ্তেম্বৰ মাহলৈ (প্ৰথম ৯ মাহৰ গড় হিচাপ ললে) ৭১৭ লৈ বৃদ্ধি পাইছিল আৰু এই বৃদ্ধিৰ হাৰ আছিল ৭·৩ শতাংশ।

### নিয়োগ

১২। ৰাজ্যখনৰ নিয়োগ পৰিস্থিতি আশংকাজনক যেন ধাৰণা হৈছে। ৰাজ্যখনৰ সংগঠিত খণ্ডত মুঠ নিয়োগ সৃষ্টিৰ পৰিমাণ ১৯৮৪ চনৰ জুন মাহৰ ১০·৪৩ লাখৰ পৰা ১৯৮৫ চনৰ জুন মাহত ৯·৬৮ লাখলৈ মুঠ ৭·২ শতাংশ হাৰত হ্ৰাস পায়। আনহাতে একেছোৱা সময়তে চাকৰি প্ৰাৰ্থীৰ সংখ্যা ৪·৮৪ লাখৰ পৰা ১০·৫ শতাংশ বাঢ়ি ৫.৩৫ লাখ হয়গৈ। চাকৰি প্ৰাৰ্থী সকলৰ ভিতৰত শিক্ষিতৰ সংখ্যা আছিল ২·৭৩ লাখ, মহিলা প্ৰায় ৭৩ হেজাৰ আৰু অনুসূচীত জাতি আৰু জনজাতি যথাক্ৰমে প্ৰায় ২৯ হেজাৰ আৰু ৩৮ হেজাৰ। উল্লেখিত সময়ছোৱাত নিয়োগ বিনিময় কেন্দ্ৰৰ জৰিয়তে জাননী দিয়া খালি পদৰ সংখ্যা আছিল ৬,৪১১ টা আৰু তাৰ বাবে ৪৬,০৭৭ গৰাকী প্ৰাৰ্থীৰ নাম পঠিওৱা হয়। নিয়োগ বিনিময় কেন্দ্ৰত পঞ্জীভূক্ত নিবনুৱা স্নাতকক ৫০ টকাৰ মাহিলী ভাট্টাৰ সাহায্য দিবলৈ যুগুতোৱা ১৯৮৩ চনৰ অসম নিবনুৱা সাহায্য আচনিখন অহা বছৰো চলি থাকিব। জটিল নিবনুৱা সমস্যাৰ ওৰ পেলোৱাৰ উদ্দেশ্যেৰে আত্মনিয়োজনৰ প্ৰসাৰ, স্থানীয় যুৱক-যুৱতীৰ নিয়োগৰ সম্ভাৱনাও বঢ়াব পৰাকৈ বৃহৎ আৰু মজলীয়া ধৰণৰ উদ্যোগক আকৰ্ষিত কৰিবলৈ এটা অনুকূল ঔদ্যোগিক বাতাবৰণ গঢ়ি তোলা আৰু নিয়োগ সম্ভাৱনা থকা ক্ষুদ্ৰ উদ্যোগৰ বিকাশৰ ওপৰত অধিকতৰ গুৰুত্ব দিয়া হব।

### দৰিদ্ৰতা লাঘৱ কৰাৰ আচনি

১৩। গঞা দুখীয়া ৰাইজৰ অৱস্থা উন্নত কৰিবলৈ সংহত গ্ৰাম্য বিকাশ আচনি, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আচনি, গঞা মাটিহীনৰ নিয়োগ নিশ্চিতকৰণ আচনি, জৈৱ গেচ বিকাশৰ ৰাষ্ট্ৰীয় প্ৰকল্প আৰু কৃষি উৎপাদন বঢ়াবৰ বাবে ক্ষুদ্ৰ আৰু উপান্ত খেতিয়কক সাহায্য দিয়াৰ প্ৰকল্প– গ্ৰাম্য দৰিদ্ৰতা লাঘৱ কৰাৰ এই কেইখন সৰ্বভাৰতীয় আচনি ৰূপায়ণৰ বাবে সবল প্ৰচেষ্টা চলোৱা হব।

### পৰিকল্পনা পুঁজি

১৪। যোৱা বছৰৰ বাজেট উত্থাপন কৰোতে সদনক জনোৱা হৈছিল যে তেতিয়ালৈকে আমাৰ ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্ত হোৱা নাছিল আৰু পৰিকল্পনা চূড়ান্তকৰণ সাপেক্ষে ১৯৮৫-৮৬ চনৰ বাবে ১৯৮৪-৮৫ চনৰ পুঁজিৰ পৰিমাণকে দোহৰা হৈছিল। পিছত, ১৯৮৫ চনৰ ২৩ এপ্ৰিল তাৰিখে পৰিকল্পনা আয়োগে আমাৰ সপ্তম পৰিকল্পনা (১৯৮৫-৯০) আৰু ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্ত কৰি দিয়ে। সেই অনুসাৰে প্ৰয়োজনবোধে আকস্মিক নিধিৰ পৰা আগধন, পৰিপূৰক দাবী আৰু পুনৰ্বিনিয়োজনৰ জৰিয়তে ওপৰঞ্চি পুঁজিৰ ব্যৱস্থা কৰা হয়। পৰিকল্পনা আয়োগে অনুমোদন কৰা মতে অসমৰ সপ্তম পৰিকল্পনাৰ মুঠ পুঁজিৰ পৰিমাণ ২১০০ কোটি

টকা। তাৰ ভিতৰত কেন্দ্ৰীয় সাহায্য ২০৬৫.০৮ কোটি টকা আৰু ৰাজ্যৰ নিজা অংশৰ পৰিমাণ ৩৪.৯২ কোটি টকা। ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে অনুমোদিত ব্যয় পৰিমাণ আছিল ৪১০ কোটি টকা। ইয়াৰে ৩৮১.৩০ কোটি টকা সাধাৰণ এলেকাৰ বাবে আৰু ২৮·৭০ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে। ৪১০ কোটি টকাৰ পুঁজিৰ বাবে কেন্দ্ৰীয় সাহায্য পোনতে ৪০২·৬২ কোটি টকাত ধাৰ্য কৰা হৈছিল যদিও পিছত এই পৰিমাণ ৪০৬·২৯ কোটি টকালৈ বঢ়োৱা হয়। তদুপৰি পাৰ্বত্য অঞ্চলৰ ক্ষিপ্ৰতৰ বিকাশৰ বাবে বৰ্ত্তমান বছৰত পাৰ্বত্য পৰিকল্পনাৰ পুঁজিৰ পৰিপূৰক হিচাপে ২২.০৮ কোটি টকাৰ সংযোজিত কেন্দ্ৰীয় সাহায্য লভি কৰা হৈছে। ইয়াৰ উপৰিও জনজাতীয় উপ-পৰিকল্পনাৰ বাবে ৬·২৫ কোটি টকা আৰু অনুসূচীত জাতিৰ কাৰণে সংযোগী পৰিকল্পনাৰ বাবে ১·৯৭ কোটি টকাৰ অতিৰিক্ত কেন্দ্ৰীয় সাহায্য আছুতীয়াকৈ ধৰা হয়। আমাৰ ১৯৮৬-৮৭ চনৰ বাৰ্ষিক পৰিকল্পনাখন ১৯৮৬ চনৰ ৫ ফেব্ৰুৱাৰী তাৰিখে পৰিকল্পনা আয়োগে চূড়ান্ত কৰে। ১৯৮৬-৮৭ চনৰ বাবে পৰিকল্পনা অনুমোদন কৰা পুঁজিৰ পৰিমাণ ৫০০ কোটি টকা। ইয়াৰে ৪৬৫ কোটি টকা সাধাৰণ অঞ্চলৰ বাবে আৰু বাকী ৩৫ কোটি টকা পাৰ্বত্য অঞ্চলৰ বাবে। এই পৰিমাণ চলিত বছৰৰ ৪১০ কোটি টকাতকৈ ২২ শতাংশ অধিক। পাৰ্বত্য অঞ্চলৰ ক্ষিপ্ৰতৰ উন্নয়নৰ বাবে পাৰ্বত্য পৰিকল্পনাৰ পৰিপূৰক হিচাপে আছে ২৩.৬৪ কোটি টকাৰ সংযোজিত কেন্দ্ৰীয় সাহায্য। অহা বছৰৰ জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বাবে সংযোজিত কেন্দ্ৰীয় সাহায্যৰ পৰিমাণ এতিয়াও ধাৰ্য কৰা হোৱা নাই আৰু তেনে পৰিমাণ নিৰ্ধাৰণ সাপেক্ষে চলিত বছৰৰ পৰিমাণকে অহা বছৰৰ বাবেও ধৰা হৈছে। অনুমোদিত ৫০০ কোটি টকাৰ পুঁজিৰ ক্ষেত্ৰত কেন্দ্ৰীয় সাহায্য ধৰা হৈছে ৪৬৯ কোটি টকা। অষ্টম বিত্ত আয়োগে পৰামৰ্শ দিয়া মতে কেতবোৰ নিৰ্বাচিত খণ্ডৰ প্ৰশাসনৰ মান উন্নীত কৰাৰ বাবে ১৭·৭৪ কোটি টকা চলিত বছৰৰ অনুমোদিত পৰিকল্পনা আবণ্টনৰ ভিতৰতে ধৰা হৈছে। ৪৬৯ কোটি টকাৰ কেন্দ্ৰীয় সাহায্যৰ ওপৰঞ্চি ভাবে এই কামৰ বাবে কেন্দ্ৰৰ পৰা ১৩.৩৫ কোটি টকাৰ পৰিকল্পনা বহিভূৰ্ত অনুদান পোৱা হব।

### পৰিকল্পনা প্ৰণয়নৰ বিকেন্দ্ৰীকৰণ

১৫। আৰ্থসামাজিক বৈষম্য আঁতৰোৱাৰ বাবে আৰু উন্নয়ন আঁচনিৰ পৰিকল্পনা, ৰূপায়ণ আৰু মনিটৰিঙৰ দিশত ৰাইজক সক্ৰিয়ভাবে জড়িত কৰাৰ উদ্দেশ্যেৰে ১৯৮৬ চনৰ ১ এপ্ৰিলৰ পৰা অসমত বিকেন্দ্ৰীকৃত পৰিকল্পনা প্ৰণয়নত বেলেগ বেলেগ মহকুমাৰ প্ৰয়োজন, সম্ভাৱনা আৰু বিকাশৰ স্তৰসমূহ বিবেচনালৈ আহিব। বিকেন্দ্ৰকৃত পৰিকল্পনা ৰচনাত মহকুমা সমূহক গোট হিচাপে ললেও কেতবোৰ আঁচনি আৰু কাৰ্যসূচী ৰাজ্যিক পৰ্যায়ত যুগুতোৱা হব। সেই অনুসাৰে সকলোবোৰ আঁচনি ৰাজ্যিক পৰ্যায়ৰ আৰু মহকুমা পৰ্যায়ৰ দুটা ভাগত ভগোৱা হব। সাধাৰণ ভাবে ৰাজ্যখনক সামগ্ৰিক ধৰণে উপকৃত কৰিব পৰা বিধৰ আঁচনি বা ৰাজ্যিক পৰ্যায়ৰ নিয়মীয়া তদাৰক আৰু দিহা-পৰামৰ্শ লাগিব পৰা বিধৰ উচ্চ পৰ্যায়ৰ কাৰিকৰী ধৰণৰ আঁচনি সমূহক ৰাজ্যিক পৰ্যায়ৰ আঁচনিৰূপে গণ্য কৰা হব। ইয়াৰ উপৰিও বিজুলী উৎপাদন, বৃহৎ আৰু মজলীয়া জলসিঞ্চন, বৃহৎ আৰু মজলীয়া উদ্যোগ, বিশ্ববিদ্যালয় পৰ্যায়ৰ শিক্ষা, বৃত্তিমূলক আৰু কাৰিকৰী প্ৰতিষ্ঠান, গবেষণা আৰু প্ৰশিক্ষণ কাৰ্যসূচী, ৰাজ্যিক পথ, আভ্যন্তৰীণ জল পৰিবহন আদিৰ লগত জড়িত প্ৰকল্প আৰু কাৰ্যসূচী সমূহো ৰাজ্যিক পৰ্যায়ৰ আঁচনিৰূপে পৰিগণিত হব। মহকুমা পৰ্যায়ৰ আঁচনিৰ ভিতৰত থাকিব কৃষি উৎপাদন, ক্ষুদ্ৰ জলসিঞ্চন, মীনপালন, সমূহীয়া উন্নয়ন, সংহত গ্ৰাম্য বিকাশ, ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ, গ্ৰাম্য ভূমিহীনৰ নিয়োগ নিশ্চিতকৰণ, প্ৰাথমিক শিক্ষা আদিৰ দৰে আঁচনি সমূহ। মহকুমাপৰ্য্যায়ৰ পৰিকল্পনা যুগুতোৱাৰ দায়িত্ব ন্যস্ত হব ভৈয়ামৰ প্ৰতিটো মহকুমাৰ বাবে গঠন কৰিবলৈ লোৱা মহকুমা পৰ্য্যায়ৰ পৰিকল্পনা আৰু উন্নয়ণ পৰিষদৰ ওপৰত। মহকুমা পৰ্য্যায়ৰ পৰিকল্পনা সমূহ ৰাজ্যিক পৰ্য্যায়ৰ আঁচনিৰ লগত মিলাই লোৱা হব আৰু দুয়ো পৰ্য্যায়ৰ পৰিকল্পনা সমূহ মিলি ৰাজ্যৰ খচৰা বাৰ্ষিক পৰিকল্পনা হবগৈ।

### প্ৰাকৃতিক দুৰ্যোগৰ সাহায্য

১৬। চলিত বছৰত ৰাজ্যখন দুবাৰ বানপানীৰ কবলত পৰে আৰু বৰাক আৰু ব্ৰহ্মপুত্ৰ উভয় উপত্যকাতে সামগ্ৰিক ভাবে আহু খেতিৰ আৰু আংশিক ভাবে শালিধানৰ কঠিয়াৰ ব্যাপক ক্ষতি সাধন হয়। ক্ষতিগ্ৰস্ত ৰাইজক যথোচিত সাহাৰ্য্য দিবলৈ আৰু সা-সম্পত্তিৰ ক্ষতি পূৰণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে মুঠ ২২১৫·৮০ লাখ টকাৰ ব্যয় অনুমোদন কৰিছে। ইয়াৰ উপৰিও শিলচৰ মহকুমাত ভূমিকম্পৰ ফলত হোৱা ক্ষতিৰ উপশমৰ বাবে ১৪৩·০৬ লাখ টকা শিলচৰ নগৰত অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষতিৰ ক্ষেত্ৰত সকাহ দিবলৈ ২৬·০৮ লাখ টকাও অনুমোদন কৰিছে। সেই হিচাপত প্ৰাকৃতিক দুৰ্যোগৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে অনুমোদন কৰা ব্যয়ৰ সীমা ২৩৮৪·৯৪ লাখ হয়গৈ। এই অনুমোদনৰ ভিতৰত ৭২৫ লাখ টকা অষ্টম বিত্ত আয়োগে অনুমোদন জনোৱা আৰু ৰাজ্যিক বাজেটত ধৰা মাৰ্জিন মানিৰ হিচাপত প্ৰাথমিক ভাবে মিলাই লোৱা হব। মাৰ্জিন মানিৰ ওপৰঞ্চি ভাবে খৰচ হোৱা ৭৫ শতাংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰিব আৰু বাকী ২৫ শতাংশ বহন কৰিব ৰাজ্য চৰকাৰে। বান সাহাৰ্য্যৰ বাবে কেন্দ্ৰীয় চৰকাৰে দিয়া ২২১৫·৮০ লাখ টকাৰ আবণ্টন সাহায্য আৰু মেৰামতিৰ বাবে যথেষ্ট নোহোৱাত অনুমোদিত সীমাৰ ওপৰঞ্চি ভাবে ৰাজ্য চৰকাৰে ৩২২·৬৮ লাখ টকাৰ ব্যৱস্থা ৰাখিছে।

### ৰাজহুৱা ঋণ

১৭। ১৯৮৫ চনৰ মাৰ্চ মাহৰ শেহত ১৭৫০·২৭ কোটি টকাৰ আনুমানিক হিচাপৰ বিপৰীতে ৰাজহুৱা ঋণৰ পৰিমাণ হয়গৈ ১৭৪১·৪৬ কোটি টকা। ১৯৬৮ চনৰ মাৰ্চ মাহৰ শেহলৈ সামগ্ৰিক ঋণৰ ভাবে ২২১১·৮৭ কোটি টকাৰ সীমা ছোৱাৰ সম্ভাৱনা আছে। পৰিকল্পনা ব্যয়ৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা সাহায্যই ঋণৰ ভাৰ এনে ক্ষিপ্ৰতাৰে বাঢ়ি যোৱাৰ ঘাই কাৰণ। বৰ্ত্তমানে ৰাজ্যখনৰ সাধাৰণ অঞ্চলৰ পৰিকল্পনাৰ বাবে পাই থকা কেন্দ্ৰীয় সাহায্যত অনুদানতকৈ ঋণহে প্ৰাধান্য অধিক আৰু ঋণ আৰু অনুদানৰ আনুপাতিক হাৰ হলগৈ ৭০:৩০। ইয়াৰ ফলতে ৰাজ্যখনৰ ঋণৰ দায় বৰকৈ বাঢ়ি গৈছে। ফলস্বৰূপে ঋণ আৰু তাৰ সুত পৰিশোধৰ বাবে প্ৰতি বছৰে এক বৃহৎ পৰিমাণৰ ধন আছুতীয়াকৈ ৰাখিব লগীয়া হয়। এই বিৰক্তিকৰ অৱস্থাৰ উপশম ঘটাবলৈকে সাধাৰণ অঞ্চলৰ পৰিকল্পনাৰ বাবে বৰ্ত্তমানৰ ৭০ শতাংশ ঋণ আৰু ৩০ শতাংশ অনুদানৰ পৰিবৰ্তে উত্তৰ পূৰ্ব অঞ্চলৰ অন্যান্য ৰাজ্যৰ লগত সামঞ্জস্য ৰাখি ১০ শতাংশ ঋণ আৰু ৯০ শতাংশ অনুদানৰ হিচাপত কেন্দ্ৰীয় সাহায্য দিয়াৰ নিয়ম কৰিবলৈ ৰাজ্য চৰকাৰক অনুৰোধ কৰিছিল। কেন্দ্ৰীয় সাহায্যৰ অনুপাত সলাবৰ বাবে আমাৰ সেই প্ৰস্তাৱ এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে মানি লোৱা নাই।

### ১৯৮৪-৮৫ চনৰ হিচাপ

১৮। মই এতিয়া হিচাপ আৰু বাজেটৰ বিষয়ে কব খুজিছো। সংশোধিত আনুমানিক হিচাপত ১৯৮৪-৮৫ চনৰ বছৰটো ১৪০·২৫ কোটি টকাৰ ঘাটিৰে ওৰ পৰিব বুলি ধৰা হৈছিল। প্ৰকৃততে ১২৪.৪৭ কোটি টকাৰ ঘাটিৰে বছৰটোৰ সামৰণী পৰে আৰু তাৰ ফলত ১৫·৭৮ কোটি টকাৰ সামান্য উন্নতি পৰিলক্ষিত হয়। ১৯৮৪-৮৫ চনৰ সংশোধিত আনুমানিক হিচাপত ৰাজহ প্ৰাপ্তি ৭০০·০৬ কোটি টকা হব বুলি ধৰা হৈছিল যদিও প্ৰকৃত ৰাজহ প্ৰাপ্তি হয়গৈ ৬৯৯·০৪ কোটি টকা। ১৯৮৪-৮৫ চনৰ সংশোধিত আনুমানিক হিচাপ মতে একত্ৰিত মূলধনী প্ৰাপ্তি ৯৬৫·৭০ কোটি টকা হবগৈ বুলি হিচাপ কৰা হৈছিল, তাৰ বিপৰীতে মূলধনী প্ৰাপ্তিৰ প্ৰকৃত পৰিমাণ হয়গৈ ৯৯৮.৫২ কোটি টকা। খৰচৰ শিতানত সংশোধিত আনুমানিক হিচাপত ৰাজহৰ হিচাপত ৮৩৬.৫৯ কোটি টকা আৰু মূলধনী হিচাপত ৯৪৭·৪৫ কোটি টকাৰ ব্যয় ধৰা হৈছিল। তাৰ বিপৰীতে ১৯৮৪-৮৫ চনৰ বছৰটোত প্ৰকৃত ব্যয়ৰ পৰিমাণ হয়গৈ ৰাজহ শিতানত ৮৩৪.৮৫ কোটি টকা আৰু মূলধনী শিতানত ৯৪১·৯৯ কোটি টকা।

এইদৰে বঢ়াটুটা হোৱাৰ বাবেই সংশোধিত আনুমানিক হিচাপত ধৰা একত্ৰিত নিধিৰ ১১৮·২৯ কোটি টকাৰ ঘাটিৰ হিচাপ প্ৰকৃততে ৭৯.২৮ কোটি টকালৈ কমি আহে। একত্ৰিত নিধিৰ বাহিৰত হোৱা লেনদেনৰ পিচত মুঠ প্ৰকৃত ৰাহিৰ পৰিমাণ ৯.০১ কোটি টকা। সেইমতে সংশোধিত আনুমানিক হিচাপত দেখা ৮৫.৮৪ কোটি টকাৰ ঘাটিৰ বিপৰীতে বছৰটোৰ সাৰ্মগ্ৰিক হিচাপত প্ৰকৃততে ৭০·২৭ কোটি টকাৰ ঘাটিহে পৰিলক্ষিত হয়গৈ। ৫৪·২০ কোটি টকাৰ আৰম্ভণী ঘাটি উদ্বৃত্ত হিচাপত ধৰিলে সংশোধিত আনুমানিক হিচাপত ধৰা ১৪০.২৫ কোটি টকাৰ ঘাটিৰ বিপৰীতে ১৯৮৪-৮৫ চনৰ বিত্তীয় বছৰটোৰ প্ৰকৃততে সামৰণী পৰেগৈ ১২৪·৪৭ কোটি টকাৰ ঘাটিৰে। ইয়াৰ পৰাই দেখা যায় যে সামৰণী হিচাপত দেখা উন্নতি নগণ্য বিধৰহে আছিল আৰু প্ৰকৃততে বহু পৰিমাণৰ ঘাটিৰেই ১৯৮৪-৮৫ চনৰ বছৰটোৰ সামৰণী পৰেগৈ।

### ১৯৮৫-৮৬ চনৰ সংশোধিত আনুমানিক হিচাপ

১৯। সংশোধিত আনুমানিক হিচাপ মতে ১৯৮৫-৮৬ চনৰ বছৰটো প্ৰাথমিক বাজেটত ধৰা ২০২·৬৫ কোটি টকাৰ ঘাটিৰ হিচাপৰ বিপৰীতে ২০·৯৯ কোটি টকাৰ ঘাটিৰে ওৰ পৰিব বুলি আশা কৰা হৈছে। সেইমতে ১৮১·৬৬ কোটি টকাৰ সাৰ্মগ্ৰিক উন্নতি পৰিলক্ষিত হয়। তাৰে ১৫.৭৮ কোটি টকাৰ উন্নতি হৈছে বছৰটোৰ আৰম্ভণী ঘাটি ১৪০·২৫ কোটি টকাৰ পৰা ১২৪·৪৭ কোটি টকালৈ কমি যোৱাৰ বাবে। বাকী ১৬৫·৮৮ কোটি টকাৰ পৰিমাণৰ উন্নতি বছৰটোৰ ভিতৰতে হোৱা লেনদেনৰ হিচাপতে হব বুলি আশা কৰা হৈছে। ৰাজহ প্ৰাপ্তিত ১২৯·৪৮ কোটি টকাৰ বৃদ্ধি দেখা যায় যদিও ৰাজহ ব্যয়ো ৭৮·৬১ কোটি টকা বাঢ়ি যোৱাৰ সম্ভাৱনা আছে আৰু তাৰ ফলত ৰাজহ হিচাপত উন্নতি ৫০·৮৭ কোটি টকাতে সীমিত হব। ৰাজহ প্ৰাপ্তিৰ বঢ়াৰ ঘাই কাৰণ হল ৰাজ্যলৈ হস্তান্তৰিত হব বুলি ধৰা কেন্দ্ৰীয় কৰ আৰু শুল্কৰ বৰ্দ্ধিত পৰিমাণৰ অংশ, কেন্দ্ৰীয় সাহায্যৰ বৰ্দ্ধিত আবণ্টন আৰু লগতে ৰাজ্যিক কৰৰ সংগ্ৰহত আশা কৰা উন্নতি। ব্যয়ৰ শিতানত বৃদ্ধিৰ ঘাই কাৰণ হল ১৯৮৫-৮৬ চনৰ বাৰ্ষিক পৰিকল্পনা চূড়ান্ত কৰাৰ পিছত পৰিকল্পনা শিতানত বৰ্দ্ধিত পূঁজিৰ ব্যৱস্থা আৰু বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগৰ সাহায্য, শিক্ষা অৱাদ আৰক্ষীৰ ব্যৱস্থাকে ধৰি অতিৰিক্ত পূঁজিৰ প্ৰয়োজন পূৰণ কৰা। মূলধনী প্ৰাপ্তিত বাজেটত ধৰা হিচাপতকৈ ১৫৭·১৯ কোটি টকাৰ বৃদ্ধি দেখা গৈছে, আনফালে মূলধনী ব্যয়ো ৩৫·৯৮ কোটি টকা বঢ়াৰ সম্ভাৱনা আছে আৰু তাৰ ফলত প্ৰকৃত উন্নতি ১২১·২১ কোটি টকাত সীমিত হবগৈ। মূলধনী প্ৰাপ্তি ঘাইকৈ বাঢ়িছে সম্পদৰ ক্ষেত্ৰত ঘাটি পূৰাবলৈ কেন্দ্ৰীয় চৰকাৰে দিয়া ১১৮·২১ কোটি টকাৰ পৰিকল্পনা বহিৰ্ভূত ঋণৰ বাবে। একত্ৰিত নিধিৰ বাহিৰৰ লেন-দেনত বাজেটৰ হিচাপতকৈ সংশোধিত আনুমানিক হিচাপ ৬·২০ কোটি টকা কম পৰিব যেন লাগিছে। সেই অনুসাৰে সাৰ্মগ্ৰিক উন্নতি ১৮১·৬৬ কোটি টকাৰ হবগৈ বুলি হিচাপত দেখা গৈছে আৰু ২০·৯৯ কোটি টকাৰ ঘাটিৰে বছৰটোৰ সামৰণী পৰিব বুলি আশা কৰা হৈছে।

### ১৯৮৬-৮৭ চনৰ বাজেটৰ আনুমানিক হিচাপ

২০। এতিয়া উত্থাপন কৰিবলৈ লোৱা ১৯৮৬-৮৭ চনৰ বাজেটত ৰাজ্যৰ একত্ৰিত নিধিত মুঠ ২০৬৯·৭৬ কোটি টকাৰ প্ৰাপ্তি আৰু ২১৪০·২৪ কোটি টকাৰ ব্যয় দেখুওৱা হৈছে। ইয়াৰ ফলত ৭০.৪৮ কোটি টকাৰ ঋণাত্মক ব্যৱধান এটা ৰৈ যায়। একত্ৰিত নিধিৰ বাহিৰৰ লেন দেনৰ পৰা বছৰটোত ৩২·২৩ কোটি টকাৰ সাৰ্মগ্ৰিকহিচাপ কৰা হৈছে। সেই মতে বছৰটোৰ ভিতৰত ৩৮.২৫ কোটি টকাৰ সাৰ্মগ্ৰিক ঘাটি হোৱাৰ সম্ভাৱনা আছে। আনুমানিক হিচাপ মতে ২০.৯৯ কোট টকাৰ আৰম্ভণী ঘাটিৰে সৈতে মুঠ ৫৯·২৪ কোট টকাৰ ঘাটিৰে ১৯৮৬-৮৭ চনৰ বছৰটোৰ সামৰণী পৰিবগৈ বুলি আশা কৰা হৈছে।

১৯৮৫-৮৬ চনৰ সংশোধিত আনুমানিক হিচাপৰ ৯৩৮·৮৪ কোটি টকাৰ বিপৰীতে ১৯৮৬-৮৭ চনত ৰাজহপ্ৰাপ্তি ১০৩৯·৮৮ কোটি টকা বুলি হিচাপ কৰা হৈছে। একেদৰে ৰাজহ ব্যয়ৰ

পৰিমাণ ১৯৮৫-৮৬ চনৰ সংশোধিত আনুমানিক হিচাপমতে পোৱা ৯৯২·১২ কোটি টকাৰ বিপৰীতে ১৯৮৬-৮৭ চনত ১১০১·০৮ কোটি টকা বুলি হিচাপত ধৰা হৈছে। এই হিচাপমতে আগৰ বছৰৰ সংশোধিত অনুমানিক হিচাপত দেখা ৫৩·২৮ কোটি টকাৰ বিপৰীতে ১৯৮৬-৮৭ চনত ৰাজহ শিতানত ঘাটি ৬১·২০ কোটি টকাৰ। মূলধনী শিতানত ১৯৮৬-৮৭ চনৰ প্ৰাপ্তি ১০২৯·৮৮ কোটি টকা আৰু ব্যয় ১০৩৯·১৮ কোটি টকা হবগৈ বুলি হিচাপত ধৰা হৈছে আৰু তাত ঘাটি পৰিব ৯·২৮ কোটি টকাৰ। সেইমতে একত্ৰিত নিধিত সামগ্ৰিক ভাবে ৭০·৪৮ কোটি টকাৰ ঘাটি থাকিবগৈ বুলি আনুমানিক হিচাপত দেখা গৈছে। একত্ৰিত নিধিৰ বাহিৰত হোৱা লেনদেনৰ পৰা হিচাপত দেখা ৩২·২৩ কোটি টকাৰ মুঠ বাহি ধৰিলে ১৯৮৬-৮৭ চনৰ সামগ্ৰিক ঘাটি ৩৮·৩৫ কোটি টকা হবগৈ বুলি হিচাপত ওলায়। আনুমানিক হিচাপৰ ২০·৯৯ কোটি টকাৰ আৰম্ভণী ঘাটিৰ সৈতে হিচাপ কৰি ১৯৮৬-৮৭ চনৰ বছৰটো ৫৯·২৪ কোটি টকাৰ ঘাটিৰে ওৰ পৰিবগৈ বুলি আশা কৰা হৈছে।

২১। ঋণৰ সুতৰ হিচাপত বাঢ়ি অহা দায় আৰু হাতত থকা সম্পত্তি আৰু সেৱা চলাই ৰখাৰ এৰাব নোৱাৰা দায়িত্বতে আমাৰ সীমিত সম্পদৰ ভালেখিনি খৰচ হৈ যায়। তথাপিও ৰাষ্ট্ৰীয় অগ্ৰগতিৰ লগত সমানে খোজ মিলাবলৈ আৰু ৰাইজৰ আশা-অভিলাষ পূৰাবৰ বাবে আমি প্ৰতিশ্ৰুতিবদ্ধ আৰু সেয়ে গধুৰ ধাৰৰ বোজা লগত থাকিলেও ইখনৰ পিচত সিখন পৰিকল্পনাৰ জৰিয়তে বিনিয়োগৰ মাত্ৰা ক্ৰমাগত বঢ়াই যোৱাটো অপৰিহাৰ্য হৈ পৰিছে। সেই পৰিপ্ৰেক্ষিতত আমাৰ আপুৰুগীয়া সম্পদ সংৰক্ষণ কৰা, অপচয় পৰিহাৰ কৰা আৰু ৰাজহুৱা ধনৰ উচিত আৰু ফলপ্ৰসূ ব্যৱহাৰ কৰাটো অৱশ্য কৰ্তব্য।

যোৱা বেইবছৰমানত সম্পদ আহৰণৰ বাবে ৰাজ্যখনত বৃহৎ ধৰণৰ অতিৰিক্ত কৰ ব্যৱস্থাৰ আশ্ৰয় লোৱা হোৱা নাই। তথাপিও কেতবোৰ কৰৰ পৰা, বিশেষকৈ বাণিজ্যিক কৰ আৰু কৃষি আয়কৰৰ পৰা, ৰাজহ বাঢ়িছে বাবেই ঘাইকৈ ৰাজ্যখনৰ পৰিকল্পনাৰ আয়তন অব্যাহত ৰাখিব পৰা হৈছে। উদাহৰণ স্বৰূপে ১৯৮৩-৮৪ আৰু ১৯৮৪-৮৫ চনৰ বছৰ দুটাত এই দুইবিধ কৰৰ পৰা পোনতে হিচাপ কৰা ১০০ কোটি আৰু ১১৫ কোটি টকাৰ বিপৰীতে সংগৃহীত সম্পদৰ পৰিমাণ আছিল যথাক্ৰমে মুঠ ১১৫ কোটি আৰু মুঠ ১৬৭ কোটি টকা। চলিত বছৰতো বাজেটত ধৰা ১২৮ কোটি টকাৰ বিপৰীতে এই দুইবিধ কৰৰ শিতানত ১৭২ কোটি টকাবো বেছি ৰাজহ সংগ্ৰহ হোৱাৰ সম্ভাৱনা আছে। মন কৰিব লগীয়া কথা যে বনজ সামগ্ৰী, চাহ আৰু পেট্ৰলজাত সামগ্ৰী ৰাজ্য খনৰ এই তিনিবিধ ঘাই সম্পদৰ আন্তঃৰাজ্যিক হস্তান্তৰৰ যি নিয়ম চলি আছে, তাৰ ফলত সেই সামগ্ৰী সমূহৰ ক্ষেত্ৰত ৰাজ্যখনক প্ৰাপ্য কৰৰ অংশৰ পৰা বঞ্চিত কৰা হৈছে বুলি বহুদিনীয়া অভিযোগ এটা আছে। ভাৰতীয় সংবিধানৰ ব্যৱস্হামতে সামগ্ৰীৰ আন্তঃৰাজ্যিক আদান প্ৰদানত ৰাজ্যসমূহে বিক্ৰীকৰ লগাব নোৱাৰে। সংবিধানৰ ৪৬ তম সংশোধনীয়ে অন্যান্য ব্যৱস্হাৰ লগতে কেন্দ্ৰীয় চৰকাৰক বয়-বস্তুৰ আন্তঃৰাজ্যিক আদান প্ৰদানত কৰ লগোৱাৰ ক্ষেত্ৰতো আইন প্ৰণয়ন কৰাৰ অধিকাৰ দিছে। কেন্দ্ৰীয় চৰকাৰে তেনে আইন প্ৰণয়ন কৰিলেই সেই আইনৰ জোৰত অসমৰ পৰা আন ৰাজ্যলৈ বয়-বস্তু হস্তান্তৰৰ ওপৰত কৰ লগোৱাটো সম্ভৱ হব। হিচাপ কৰি দেখা গৈছে যে উল্লিখিত সামগ্ৰী কেইপদ আৰু ৰজ্যৰ অন্যান্য সামগ্ৰীৰ আন্তঃৰাজ্যিক হস্তান্তৰত প্ৰস্তাৱিত কৰ লগালে তাৰ পৰা বছৰি ৩৪ কোটি মান টকাৰ ৰাজহ পোৱা যাব। এই বিষয়ত আমাৰ ন্যায্য স্বাৰ্থ যাতে সম্পূৰ্ণভাবে সুৰক্ষিত হয়, তাক নিশ্চিত কৰিবলৈ আমি এই বিষয়ত কেন্দ্ৰীয় চৰকাৰৰ লগত সক্ৰিয়ভাবে যোগাযোগ কৰি আছো। বৰ্ত্তমানৰ প্ৰতি মেট্ৰিকটনত ৬১ টকাৰ পৰা মেট্ৰিক টনে প্ৰতি ৩৩৬ টকালৈ খাৰুৱা তেলৰ ৰয়েল্টীৰ হাৰ বঢ়াবলৈও আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আছো।

এতিয়ালৈকে পাই অহা সহযোগিতাৰ বাবে চৰকাৰে সকলোলৈকে কৃতজ্ঞতা যাচিছে। সেই সহযোগিতাৰেই অনুপ্ৰাণিত হৈ আমাৰ সম্মুখত থকা মহান দায়িত্বক সফল কৰি তোলাত সহায়ৰ হাত আগবঢ়াবৰ বাবে এই পবিত্ৰ ভূমিৰ প্ৰতিজন বাসিন্দাকে মই গোহাৰি জনাইছো।

অধ্যক্ষ মহোদয়, এই খিনিকে কৈ ১৯৮৬-৮৭ চনৰ বাজেট সন্মানিত সদনৰ অনুমোদনৰ বাবে মই আগবঢ়ালো।

মাননীয় অধ্যক্ষ :— এতিয়া ৬ নং প্ৰস্তাৱটো গড়কাপ্তানী বিভাগৰ মন্ত্ৰীয়ে প্ৰস্তাৱ কৰিব।

শ্ৰীঅতুল বৰা :— মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে, "এই বিধান সভাই অনুমোদন জনায় যে, ৰাজ্যৰ প্ৰধান প্ৰধান অঞ্চলবোৰৰ পথ উন্নয়নমূলক বিষয়ত চৰকাৰক দিহা পৰামৰ্শ দিয়াৰ উদ্দেশ্যে নিম্নোক্ত সদস্য সকলক লৈ অসম পথ সংযোগ পৰিষদ গঠন কৰা হওঁক আৰু পৰিষদৰ সদস্য সকলে এই বিধান সভাৰ কাৰ্য্যকাল প্ৰৱৰ্তিত থকা সময়লৈকে কাৰ্য্য চলাই থাকিব :–

১। গড়কাপ্তানী বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — সভাপতি

২। গড়কাপ্তানী বিভাগৰ আয়ুক্ত আৰু বিশেষ সচিব — সদস্য

৩। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ সচিব — সদস্য সচিব

৪। মুখ্য অভিযন্তা, গড়কাপ্তানী (পথ সমূহ) বিভাগ, অসম — সদস্য

৫। অতিৰিক্ত মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগ — সদস্য

(ক) অতিৰিক্ত মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগ পূৰ্ব্বাঞ্চ, ডিব্ৰুগড় — সদস্য

(খ) অতিৰিক্ত মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগ পশ্চিমাঞ্চল, গুৱাহাটী — সদস্য

(গ) অতিৰিক্ত মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগ মধ্যমাঞ্চল, গুৱাহাটী — সদস্য

(ঘ) অতিৰিক্ত মুখ্য অভিযন্তা, গড়কাপ্তানী বিভাগ পৰিকল্পনা (পথ সমূহ) ৰ মুখ্য অভিযন্তাৰ কাৰ্য্যালয় — সদস্য

৬। অসম চৰকাৰৰ গড়কাপ্তানী বিভাগৰ উপ-সচিব, পৰিকল্পনাৰ ভাৰপ্ৰাপ্ত বিষয়া — পৰিষদৰ সহকাৰী সচিব

৭। প্ৰতিখন অসামৰিক মহকুমাক প্ৰতিনিধিত্ব কৰা এগৰাকীকৈ মুঠ ৩২ (বত্ৰিশ) গৰাকী সদস্য বিধান সভাৰ সদস্য সকলে নিৰ্ব্বাচন কৰিব।

৮। পৌৰ সভা, নগৰ সমিতি, মহকুমা পৰিষদ আদিক প্ৰতিনিধিত্ব কৰিবলৈ ১০ গৰাকী সদস্য চৰকাৰে মনোনীত কৰিব।

৯। পৰিবহন বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — সদস্য

১০। উদ্যোগ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — আমন্ত্ৰিত ব্যক্তি

১১। পাৰ্ব্বত্য অঞ্চল সমূহৰ আৰু ভূমি সংৰক্ষণ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — আমন্ত্ৰিত ব্যক্তি

১২। বান নিয়ন্ত্ৰণ বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী — আমন্ত্ৰিত ব্যক্তি

১৩। সচিব, অসম চৰকাৰৰ পৰিবহন বিভাগ — সদস্য

১৪। সচিব, অসম চৰকাৰৰ উদ্যোগ বিভাগ — সদস্য

১৫। সচিব, অসম চৰকাৰৰ বাননিয়ন্ত্ৰণ বিভাগ — সদস্য

১৬। ২ (দুই) গৰাকী সদস্য (অসমৰ পৰা নিৰ্ব্বাচিত সদস্যৰ এগৰাকী লোক সভাৰ আৰু এগৰাকী ৰাজ্য সভাৰ) চৰকাৰে বাচনি কৰি লব।

(যদি আৱশ্যক হয়, সচিবে নিৰ্ব্বাচনৰ তাৰিখ, সময় আৰু স্থানৰ জাননী দিব।)

মাননীয় অধ্যক্ষ :— স্বৰ্গীয় টংকেশ্বৰ দিহিঙ্গীয়া, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, মিঃ অলোফ পামে আৰু ৰুক্মিনী দেৱী অৰুণ্দালেৰ কৰুণ বিয়োগত শোক প্ৰকাশ কৰাৰ বাবে মই ঠিয় হৈছো।

প্ৰয়াত শ্ৰীদিহিঙ্গীয়াই ১৯৮৩ চনৰ নিৰ্ব্বাচনৰ পিচত অসম চৰকাৰৰ পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী হিচাবে কাৰ্য্য নিৰ্ব্বাহ কৰিছিল। শিৱসাগৰ চহৰত কিছুমান অজ্ঞাত আততায়ীয়ে এই বিশিষ্ট সমাজ কৰ্মী লোক জনলৈ গুলি চলাইছিল আৰু ১৯৮৬ চনৰ ১৯ ফেব্ৰুৱাৰীৰ দিনা ৫৩ বছৰ বয়সত ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পাতালত তেখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

সংগীতচাৰ্য্য লক্ষীৰাম বৰুৱাৰ পুত্ৰ প্ৰফুল্ল চন্দ্ৰ বৰুৱাই শিৱসাগৰত জন্ম গ্ৰহণ কৰিছিল। তেখেত এজন প্ৰবীন মুক্তিযোদ্ধা আছিল। তেখেতে দেশৰ মুক্তি আন্দোলনত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰি কেইবা বাৰো কাৰাবৰণ কৰিছিল। তেখেতে ১৯৫৭ আৰু ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনত যোৰহাট সংসদী সমষ্টিৰ পৰা লোক সভালৈ নিৰ্বাচিত হৈছিল।

স্বৰ্গীয় বৰুৱাদেৱ এজন প্ৰখ্যাত শিল্পী আছিল আৰু জ্যোতি সঙ্গীতৰ ওপৰত তেখেতৰ বিশেষ দখল আছিল। তেখেতেই ১৯২৪ চনত অসমীয়া গ্ৰামোফোন ৰেকৰ্ডত প্ৰথমে গান গাইছিল। তেখেতক এজন বিশিষ্ট চাহ খেতিয়ক বুলি জনাজাত হৈছিল আৰু তেখেতৰ নেতৃত্বত ভাৰতৰ চাহ প্ৰতিনিধি দলে কেইবা বাৰো ইউৰোপ আৰু আফ্ৰিকা ভ্ৰমণ কৰিছিল। তেখেতে ভাৰতৰ চাহ বৰ্ডৰ সদস্য হিচাবেও কেইবা বছৰ সুখ্যাতিৰে কাৰ্য্য সম্পন্ন কৰিছিল।

স্বৰ্গীয় শ্ৰীবৰুৱা বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ সৈতে বিশেষ ভাবে জড়িত আছিল আৰু তেখেতে বহুমূলীয়া দান বৰঙণি দি গৈছে। তেখেতে অসম চৰকাৰৰ ভালেমান নিগমৰ সভ্য আৰু সভাপতি হিচাবেও কাম কৰিছিল।

শ্ৰীঅলোফ পামেই ১৯৬৯ চনত চুইডেনৰ প্ৰধান মন্ত্ৰী হিচাবে দায়িত্ব ভাৰ লয়। তেখেতে ১৯২৭ চনত জন্ম গ্ৰহণ কৰিছিল। তেখেতে স্বাধীনতা, সমতা আৰু ভাতৃত্বৰ ওপৰত বিশেষ গুৰুত্ব দিছিল আৰু এই কাৰণেই তেখেতে শ্ৰমিক আন্দোলনলৈ সমৰ্থন আগবঢ়াইশিল। তেখেতে আজীৱন যোদ্ধা-গ্ৰাসী মাৰ্কিণ শক্তিৰ বিৰুদ্ধে থিয় দিছিল আৰু তেখেতে শান্তি আৰু নিৰস্ত্ৰীকৰণৰ এজন নিৰৱছিন্ন প্ৰৱক্তা হিচাবে আন্তঃ ৰাষ্ট্ৰীয় খ্যাতি অৰ্জন কৰিছিল।

চুইডেনৰ প্ৰধান মন্ত্ৰী হলেও তেখেত সদায় সৰল আছিল আৰু অনাড়ম্বৰ জীৱন যাপন কৰিছিল আৰু সেয়ে তেখেতক জনপ্ৰিয় কৰি তুলিছিল। এই সৰ্বৰহী জনপ্ৰিয় নেতা জনাক ১ মাৰ্চৰ নিশা ষ্টক-হলমৰ এটা ৰাজপথত গুলিয়াই হত্যা কৰে।

১৯০৪ চনত জন্ম গ্ৰহণ কৰা ৰুক্মিনী দেৱী অৰুণ্দালেৰ ১৯২০ চনত এজন ইংৰাজ ব্যক্তি ডঃ অৰুণ্দালেৰ লগত বিয়া হৈছিল আৰু ব্ৰহ্মজ্ঞান সমাজৰ কাৰ্য্যৰ লগত ব্যস্ত হৈ পৰিছিল। তেখেতে নৃত্য বিষয়ত যথেষ্ট মনোযোগ দিছিলে আৰু ১৯৩৬ চনত “কলাক্ষেত্ৰ” নামে জনপ্ৰিয়তা অৰ্জন কৰা আন্তৰ্জাতিক কলা বিষয়ক শিল্প বিজ্ঞান স্থাপন কৰিছিল। ইয়াতেই তেখেতে নৃত্য কলাৰ জৰিয়তে ঐশ্বৰিক শক্তিৰ শিক্ষা দান দিয়াৰ যত্ন কৰিছিল। তেখেতৰ জনপ্ৰিয় নৃত্যৰ নিয়ম ‘ভাৰত নাট্যম’ বুলি জনাজাত।

ৰুক্মিনী দেৱীয়ে দুটা কাৰ্য্যকালৰ বাবে ৰাজ্য সভাৰ সদস্যা হিচাবে সেৱা কৰিছিল। তেখেতে আন্তৰিকতাৰে জীৱ-জন্তু বিলাকক মৰম কৰিছিল আৰু সদায় সিবিলাকৰ অধিকাৰক আগস্থান দিশিল। তেখেত ১৯৬২ চনৰ পৰা ১৯৮০ চনলৈকে ‘ভাৰতীয় জীৱ-জন্তুৰ কল্যাণ পৰিষদৰ’ সভাপতি আছিল আৰু লণ্ডনস্থ প্ৰতিস্থান ‘বিউটি উইডাউট কোৰেলিটি’ ৰ উপ-সভাপতি আছিল। তেখেত আন্তৰ্জাতিক জীৱ-জন্তুৰ ৰক্ষণা-বেক্ষণ সমাজৰ সঞ্চালক আছিল। ১৯৬০ চনৰ জীৱ-জন্তুৰ প্ৰতি নিষ্ঠুৰতাত বাধা আৰোপ আইন ভাৰতৰ সংসদৰ দ্বাৰা গ্ৰহণ কৰাত তেখেত কৃতকাৰ্য্য হৈছিল।

ৰুক্মিনী দেৱীয়ে জাতীয় আৰু আন্তৰ্জাতিক অনেক সন্মান লাভ কৰিছিল। তেখেতে ১৯৫৬ চনত পদ্ম ভূষণ উপাধি আৰু ১৯৫৭ চনত সংগীত নাটক একাডেমী পুৰস্কাৰ পাইছিল।

১৯৮৬ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে ৮২ বছৰ বয়সত তেখেত পৰলোকগামী হয়।

এতিয়া মই মৃতক সকলৰ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ ২ মিনিট সময় নিজৰ আসনত থিয় হবলৈ মাননীয় সদস্য সকলক অনুৰোধ কৰিলো।

(সকলো মাননীয় সদস্যই মৃতক সকলৰ আত্মাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিবলৈ ২ মিনিট সময় নিজৰ আসনত থিয় হৈ মৌনতা অৱলম্বন কৰে)।

(সদন অহা কালি ১৩ মাৰ্চ, ১৯৮৬ ইং তাৰিখে ১০ বজালৈ স্থগিত থাকে)।

## ADJOURNMENT

The Assembly then adjourned till 10 A.M. on Thursday, the 13th March, 1986.

Dispur:
The 12th March, 1986.

Dr. P. N. HAZARIKA,
Secretary,
Lagislative Assembly, Assam.

AGP. (Mini) L. A. 94/88—15,00—28-6-88